# আৱাজ

**বাবিলত ভাষাভেদ**

১. পূৰ্বে গোটেইখন পৃথিৱীত এক ভাষা এক মাত আছিল। ২. পাছে মানুহবিলাকে পুবফাললৈ গৈ-গৈ, চীনাৰ দেশত এখন সমতল পাই তাত নিবাস কৰিলে। ৩. তাতে ইজনে-সিজনে কোৱাকুই কৰি ক'লে, আহাঁ আমি, ইটা সাজি, তাক ভালকৈ পোৰোঁহঁক; তেতিয়া শিলৰ সলনি সিবিলাকৰ ইটা, আৰু কৰালৰ নিমিত্তে এঠামাটি হ'ল। ৪. আৰু সিবিলাকে ক'লে, আহাঁ, আমি নিজলৈ এখন নগৰ আৰু আকাশলঙ্ঘা এটা অতি ওখ ঘৰ নিৰ্মাণ কৰি, আমাৰ নাম খ্যাতিমন্ত কৰোঁহঁক; নহ'লে আমি গোটেই পৃথিৱীত ছিন্ন-ভিন্ন হ'ম। ৫. পাছে মনুষ্যসন্তান বিলাকে যি নগৰ আৰু ওখ-ওখ ঘৰ নিৰ্মাণ কৰি আছিল, তাক চাবলৈ যিহোৱা নামি আহিল। ৬. যিহোৱাই কৈছিল, চোৱা সিহঁত এক জাতি, আৰু সিহঁত সকলোৰে ভাষাও একে; আৰু সিহঁতৰ কাৰ্যৰ এয়ে আৰম্ভণ মাত্ৰ; এতিয়া সিহঁতে কৰিবলৈ ঠাৰৰ কৰা কোনো কাৰ্য সিহঁতৰ অসাধ্য নহ'ব। ৭. এতেকে আহা, আমি নামি, সিহঁতৰ এজন আন জনৰ মাত বুজিব নোৱৰাকৈ সেই ঠাইত সিহঁতৰ ভাষাৰ ভেদ জন্মাওগৈ। ৮. এইদৰে কৰি যিহোৱাই তাৰপৰা গোটেই পৃথিৱীৰ ওপৰত সিহঁতক ছিন্ন-ভিন্ন কৰিলে; আৰু সিহঁতে নগৰ সাজিবলৈ এৰিলে। ৯. এই হেতুকে তাৰ নাম বাবিল (ভেদ) ৰখা হ'ল; কিয়নো সেই ঠাইত যিহোৱাই গোটেই পৃথিৱীৰ ভাষাৰ ভেদ জন্মালে; আৰু তাৰপৰা যিহোৱাই সিবিলাকক পৃথিৱীখনতে গোট-গোট কৰিলে।

— আদিপুস্তক ঃ পবিত্ৰ বাইবেল (পুৰণি নিয়ম)

এসময়ত (বস্তুতঃ, আমাৰ সময়তেই) এখন ডাঙৰ চহৰত এজন শান্তিপ্ৰিয় লোক বাস কৰিছিল। শান্তিপ্ৰিয় এই অৰ্থত যে তেওঁ (সৰুৰেপৰা) হাই-উৰুমি বৰ বেয়া পাইছিল। ফুটবল পথাৰৰ চিঞৰ-বাখৰত তেওঁৰ কোনো আপত্তি নাছিল, কিন্তু গানৰ আসৰত গোলমাল কৰিলে তেওঁ বৰ অশান্তি পাইছিল। ইস্কুলত কোনো অনুষ্ঠানত গান চলি থাকিলে কোনোবাই পিছপিনৰপৰা গণ্ডগোল কৰিলে তেওঁৰ খুব খং উঠিছিল, আৰু এনেকুৱা ঘটনা লৈ তেওঁৰ প্ৰায়ে মাৰপিট লাগিছিল, কিন্তু ইবোৰে য'ত নানাৰকম তৰ্জন-গৰ্জন কৰি হুঙ্কাৰ দি মাৰামাৰি কৰিছিল, তেওঁ তাত মুখ বন্ধ ৰাখি মাথোঁ নীৰৱে ঘোচা মাৰি গৈছিল।

গতিকে আচৰিত হ'বলগীয়া একো নাই যে তেওঁৰ ভাগ্যত জুটিল এটা অতিপাত গণ্ডগোল-ভৰ্তি কাম, এটা ডাঙৰ প্ৰেছত। তেওঁ গোটেই দিনটো বহি-বহি প্ৰুফ চায় আৰু জব্-প্ৰিন্টিঙৰ তদাৰক কৰে, চাৰিওপিনে মানুহ ওলায় আৰু সোমায়, ফ'ন্ বাজে, টাইপৰাইটাৰ চলে, আৰু আধাখোলা দুৱাৰখনেৰে তিনিটা ফ্লেট-মেশ্বিন আৰু এটা মন'টাইপৰ সংমিশ্ৰিত ধ্বনি সৰ্বক্ষণ ভাহি আহে আন সকলো তল পেলাই, সিহঁতৰ শব্দ তেওঁ ৰাতি টোপনিতো শুনে ঃ ঘট্‌লং-ঘট্‌লং-ক্ৰিট্-ক্ৰিট্-ক্ৰিট্-ক্ৰিট-ক্লক,—ঘট্‌লং-ঘট্‌লং-ক্ৰিট্-ক্ৰিট্-ক্ৰিট্-ক্লক্—

তেওঁ মাজে-মাজে মূৰৰ বিষৰ টেবলেট্ খায়, পানী খায়, আৰু এখন চিত্ৰনাট্য ৰচনা কৰাৰ কথা ভাবে, কিয়নো সৰুৰেপৰা তেওঁক খুব সুকুমাৰ কলা—গান, বাজনা, চিনেমাই টানিছে। কিন্তু চাৰিওপিনৰ গোলমালে তেওঁৰ আইডিয়াবোৰ বিকাশ হ'ব নিদিয়ে, ক্ষণে-ক্ষণে বাধা দিয়ে। তেওঁ গণ্ডগোল বৰ বেয়া পায়। তেওঁ শুনি বৰ ভাল পাইছিল যে ইউৰোপ-আমেৰিকাত মানুহে কেতিয়াবাই গণ্ডগোলৰ অনিষ্টকাৰী প্ৰভাৱৰ কথা হৃদয়ঙ্গম কৰি তাক হ্ৰাস কৰাৰ চেষ্টা চলাইছে, হাৰ্লি ষ্ট্ৰীটৰ বিশেষজ্ঞ ডাক্তৰসকলে মানুহৰ স্নায়ুৰ আৰু কৰ্মক্ষমতাৰ ওপৰত গণ্ডগোলৰ ক্ৰিয়া সম্বন্ধে ডাঙৰ-ডাঙৰ প্ৰবন্ধ লিখিছে (এনেকি, জীৱ-জন্তুৰ ওপৰত চলোৱা পৰীক্ষাৰপৰা হেনো দেখা গৈছে যে গণ্ডগোলে ভাইৰাছ-প্ৰৱণতাও বঢ়াই দিয়ে, বিশেষকৈ পলিঅ'মা ভাইৰাছ, যিটোৱে কেন্সাৰ জাতীয় টিউমাৰ ঘটায়), আৰু ১৯৩৩ চনতেই লৰ্ড হৰ্ডাৰৰ সভাপতিত্বত এটা 'এন্টি-নয়জ্-লীগ' অৰ্থাৎ 'গণ্ডগোলবিৰোধী সংঘ' গঠন কৰি...

গণ্ডগোলে তেওঁক বিব্ৰত কৰে। গণ্ডগোলে তেওঁৰ কৰ্মক্ষমতা হ্ৰাস কৰে। গণ্ডগোলে তেওঁক ত্যক্ত কৰি ৰাখে। গণ্ডগোলে তেওঁৰ কপালৰ ৰেখা থূপ খুৱাই ৰাখে। গণ্ডগোলে তেওঁৰ যুগান্তকাৰী মনোৰম কথাছবিখনৰ নক্সা সম্পূৰ্ণ কৰি তুলিব নিদিয়ে। গতিকে ঘট্‌লং-ঘট্‌লং-ক্ৰিট্-ক্ৰিট্-ক্ৰিট্-ক্লকৰ বাহিৰত তেওঁ কথাছবিখনৰ কথা ভাবিবৰ চেষ্টা কৰে, প্ৰেছৰ বাহিৰত।

*** *** ***

প্ৰেছৰ বাহিৰত তেওঁ যেতিয়া জীৰ্ণ ক্লান্ত হৈ ওলাই আহে—এটা ছ'-মিলত তেতিয়াও অবিশ্ৰান্ত ঝিঁ-ই-ট্ ঝিঁ-ই-ট্ শব্দে ফুলস্পীডত বৈদ্যুতিক কৰতে কাঠ কাটি থাকে, সেইটোৰ কাষতে এটা ঝালাইৰ প্ৰতিষ্ঠান, তাত টিনপাত কাটে, নিউমে'টিক ড্ৰিলে ঘূৰে। তেওঁ বাছত উঠে। ঠেলা-হেঁচা হৈ-হাল্লা। প্ৰতিখন বাছৰ প্ৰতিটো পাৰ্ট্ 'লুজ্', নাট্-বল্টু-ইস্ক্ৰুপ্-দুৱাৰ-খিৰিকি সমস্ত ঢিলা, বাছখন চলে ওবে ৰাস্তা খাট্‌লাং-খাট্‌লুং-ঘাট্‌লাং-ঘুট্‌লুং-ঢাং-টিং—গাড়ী, গাড়ী, গাড়ী, ক্ষণে-ক্ষণে কৰ্কশ-শব্দে গীয়াৰ বদলাইছে আৰু ব্ৰে'ক মাৰিছে, ৰিক্সা-স্কুটাৰ-ট্ৰাক-লৰী, অসংখ্য ইঞ্জিনৰ অসংখ্য শব্দ, অসংখ্য হৰ্ন পেঁ-পোঁ—পেপোঁ-পেপোঁ-পেপোঁ—টিঁট্-টিঁট্-টিঁট-টি-ই-ই-ট্, পাইপ-লাইন মেৰামত হৈছে, হাতুৰীৰ টং-টং আৰু শ্বাঁ শ্বাঁ-কৈ ৰেল্ডিং চলিছে, ট্ৰেঞ্জিষ্টৰৰপৰা ফিল্মৰ গান, এটা শোভাযাত্ৰা, শ্ল'গান, ঢোল বজাই-বজাই এদল হিন্দুস্থানী মানুহ পাৰ হৈ গ'ল, এটা লে'ভেল-ক্ৰছিং, তীক্ষ্ণ হুইচেল মাৰি ডিজে'ল ইঞ্জিন আগবাঢ়ি আহিছে, আহিল, পাৰ হৈ গ'ল, অন্তহীন ডাব্বাৰ শাৰী ঘট্-ঘট্-ঘট্-ঘট্—

শান্তিৰে একদণ্ড এটা কথা চিন্তা কৰিব পাৰি নে? প্ৰতিমুহূৰ্তে অবাঞ্চিত বিৰক্তিকৰ শব্দৰ ঢৌয়ে চিন্তাৰ গতি পৰিৱৰ্তিত কৰি নিদিয়ে নে? "যেতিয়া অকস্মাৎ কোনো গণ্ডগোলে কাণত আঘাত কৰে" (তেওঁৰ ক'ৰবাত পঢ়া মনত পৰে) "হৃদস্পন্দন বাঢ়ি যায়, তেজৰ ধমনীবোৰ কোঁচ খাই

যায়, চকুৰ মণি বহল হৈ যায়, আৰু পেট, কণ্ঠনলী আৰু নাড়ীভূড়ি মোচৰ দি-দি উঠে...বদমেজাজ, মানসিক ক্লান্তি আৰু উৎকণ্ঠা, ৰক্তচাপ বৃদ্ধি, পক্ষাঘাত, হৃদযন্ত্ৰ বিবৰ্ধিত, মৃগী ৰোগ, এনেকি পুৰুষত্বহীনতা...", তথাপি প্ৰতিক্ষণে আমি এইবোৰ সহ্য কৰি যাওঁ, ৰেডিঅ'টোৰ ভলিউম বঢ়াই দি কৰ্ণপটাহবিদীৰ্ণকাৰী ৰক্-বাজনাৰ কবলত নিজক সঁপি দি আধুনিক হোৱা বুলি ভাবি লওঁ, আমি ক্ষণে-ক্ষণে পাহৰি যাওঁ...অ, অৱশ্যে "তুমি পাহৰিব পাৰা, কিন্তু তোমাৰ শৰীৰে কেতিয়াও পাহৰি নাযায়..."। সৰুতে তেওঁলোকে নিৰ্জনতা বিচাৰি নদীৰ পাৰৰ শিলত গৈ বহিছিল, বা পথাৰলৈ গৈছিল। আজিকালি নদীৰ পাৰত ট্ৰেঞ্জিষ্টৰ আৰু গাড়ী আৰু অসংখ্য কল-কাৰখানা আৰু বিবৰ্ধমান জনসংখ্যাই নদীৰ পাৰলৈ দলিয়াই পেলোৱা বনুৱাৰ (আৰু নিবনুৱাৰ) কোলাহল, গ্ৰামাঞ্চলৰ নিৰ্জনতা জে'ট্ বিমানৰ তীক্ষ্ণ দীঘল সুহুৰিয়ে চুৰমাৰ কৰি দিছে, ক্ৰমশঃ সভ্যতা আগবাঢ়িছে আৰু যন্ত্ৰ বাঢ়িছে, পৃথিৱীৰ প্ৰতি ঘন মিটাৰত শব্দৰ ঢৌ অবিৰামভাৱে বাঢ়ি গৈছে, সমস্ত পৃথিৱী পূৰ্ণ কৰি পেলাইছে—

তেওঁলোকৰ ৰাস্তাটো আগেয়ে অতি নিৰ্জন আছিল, ৰাতিৰ নিৰ্জনতাত তেওঁলোকে মোৰৰ পুলটোত গৈ বহিছিল, ৰাতিপুৱাৰ নিৰ্জনতাত তেওঁলোকে 'মৰ্নিং-ৱাক্' কৰিব গৈছিল। আজি ৰাস্তাৰ মোৰৰ ঘৰটোৰ বাৰাণ্ডাখনত প্ৰায় পঞ্চাছটামান ৰিক্সাৱালা শোৱে, আড্ডা দিয়ে, চাৰিওপিনে ৰেডিঅ' বাজে, বহু ৰাতিলৈ গাড়ী আহে, ৰাতি চাৰে এঘাৰ মান বজাত সদায় কাৰোবাৰ স্কুটাৰ্ এখনে বেক্‌ফায়াৰ কৰি-কৰি পাৰ হৈ যায়ঃ ফট্-ফট্-ফ্ৰট্—ধুম্—ফুট্-ফট্-ফ্ৰট্—ধুম্—, পুৱা চৰাই-চিৰিকতি টোপনিৰপৰা নুঠোঁতেই বিভিন্ন শব্দ আঁঠুৱা ভেদ কৰি সোমাব ধৰে, আধা-টোপনিতে তেওঁ বুজিব পাৰে এইবাৰ ষ্টাৰ্ট দিব ধৰিছে এখন ট্ৰাক্, এই এখন এম্বেছেডৰ, এইবাৰ এইখন অমুক বাবুৰে মৰিয়া হৈ তেওঁৰ প্ৰাগৈতিহাসিক ফৰ্ডখনৰ ইঞ্জিনটো 'ৰে'চ' দিছে—সিহঁতৰ বিচিত্ৰ সুৰ ( ? ) তেওঁৰ ৰক্তত সোমাই গৈছে। আৰু তাৰপাছত মিউনিচিপেলিটিৰ কলটোত পানী নিবলৈ আহা মাইকী মানুহবোৰে উচ্চৈস্বৰে কাজিয়া কৰে, কলহ-বাল্টি-চৰিয়া-ঘটিৰ ধুং-ধাং ঠাং-ঠাং—

গীতাত 'আত্মা' নামে যিটো বস্তুৰ কথা কোৱা হৈছে, শৰেৰে যাক বধিব নোৱাৰি, জুইৰে যাক পুৰিব নোৱাৰি, পানীৰে যাক ভিজাব নোৱাৰি, বতাহেৰে যাক—ইত্যাদি, আৰু যিটো সৰ্বব্যাপী, যাৰ নাম ব্ৰহ্ম, সেই বৰ্ণনাৰে তেওঁৰ ক'বৰ মন যায়, সেইটোৱেই শব্দ, সেইটোও সৰ্বব্যাপী, সেইটোও ব্ৰহ্ম। শব্দব্ৰহ্ম।

*** *** ***

এই মৰুভূমিৰ মাজত তেওঁৰ বাবে কোনো ৰেচিচ নাই নে? আছে, কিয়নো সৌভাগ্যক্ৰমে তেওঁৰ ঘৰুৱা জীৱন অতি সুখৰ, তেওঁৰ গাৰ্হস্থ্য জীৱন অতি মধুৰ, তেওঁৰ নৱবিবাহিতা স্ত্ৰীৰ কণ্ঠ সুধাৰে ভৰা। তেওঁৰ স্ত্ৰীয়ে গান গাইছিল ধুনীয়া, গান শুনি (মাথোঁ গান শুনি?) তেওঁ মুগ্ধ হৈছিল, তাৰপাছত পৰিচয় ঘটিছিল। আজিকালি আৰু ৰাজহুৱা অনুষ্ঠানত তাই গান নাগায়, (মাথোঁ বাথৰুমৰ বাহিৰত পানীৰ শব্দৰ মাজে-মাজে তেওঁ মাজে-মাজে ৰ লাগি শুনে), গোটেই দিন তাইৰো কোলাহলৰ মাজত কাটে, টাইপিষ্টৰ কাম কৰে। টাইপ কৰি-কৰি হাতৰ আঙুলিবোৰ বিষায়, দেহ-মন অৱশ-একঘেঁয়ে লাগে, মানুহ সোমায় আৰু ওলায়, ক্ৰিং-ক্ৰিং-কৈ টেলিফ'ন বাজে, হেল'-হেল'-হেল'—আৰু মনটো দুইধৰণৰ শব্দেৰে সংপৃক্ত হৈ থাকেঃ মূৰৰ ওপৰৰ ঘূৰ্ণ্যমান ফেন, বিয়াৰিং বেয়া হৈছে—কেঁ-কোঁ-কেঁ-কোঁ—ঘৰৰ্-ঘৰৰ-ঘৰৰ্-ঘৰৰ্—আৰু টাইপৰাইটাৰঃ খট্-খট্-খট্-খট্ খট্‌খটাখট্—ক্লিং—খট্-খট্-খট্-খট্-খট্‌খটাখট্—ক্লিং—খট্-খট্—

গতিকে তাইৰ স্বামীয়ে যে গণ্ডগোল বেয়া পায়, তাই বুজিব পাৰে। এদিন তেওঁলোকে পণ্ডিত ৰবিশংকৰৰ চেতাৰ-বাদন শুনিব গৈছিল (কাৰ্যসূচীত তেওঁৰ প্ৰিয় দক্ষিণ-ভাৰতীয় ৰাগ কেইটামানো আছিল, হাতত কাগজখন লৈ তাই উচ্ছ্বসিত হৈ কৈছিল, "চোৱা-চোৱা, তুমি যে সেইদিনা কৈছিলা, সেই কিবাটোও আছে—সিংহে-ন্দ্ৰ-মাধ্যম! যাবা?"), অত্যন্ত অসন্তুষ্ট হৈ উভতি আহিছিল। কিয়নো গৰম আৰু গোলমালত যেন ৰবিশংকৰে প্ৰাণ-মন ঢালি দি সেইদিনা একোকে বজাব নোৱাৰিলে, বৈৰাগী ভৈৰোঁৰ তবলা আৰম্ভ হোৱাৰ পাছলৈকে মানুহ ওলাইছে সোমাইছে, ছীট্ বিচাৰিছে, অলপ বিৰতি পালেই মচ্‌মচ্‌কৈ চানাচুৰৰ পেকেট খুলিছে, পপ্-কৈ চ'ডাৰ বটল খুলিছে, ছোৱালীবোৰে উল চিলাই বাহিৰ কৰিছে, মৃদু কথা-বাৰ্তাৰ গুঞ্জন, ফেনৰ কেঁ-কোঁ শব্দ, প্ৰেক্ষাগৃহৰ একুষ্টিক্স্ জঘন্য, ৰাস্তাৰ গাড়ীৰ শব্দও মাজে-মাজে ভিতৰলৈ আহে, মাইক্-বিভ্ৰাট, ৰবিশংকৰৰ মেজাজটোৱেই সম্ভৱতঃ খাৰাপ হৈ গ'ল। পাছলৈ তেওঁ ৰাগবোৰৰ আলাপ বজাবলৈ বাদেই দিলে, কিয়নো ভাৰতীয় আলাপ তেওঁৰ মতে সম্পূৰ্ণ আধ্যাত্মিক বস্তু, শান্ত সৌম্য পৰিৱেশ নহ'লে তাৰ উদ্ভাৱনা কঠিন, "তবলাৰ লগত ছন্দৰ যুদ্ধ কৰি" যেন তেওঁ কোনোমতে আসৰ জমালে—

এনেকুৱা কৰিব নোৱাৰি নে, যে চাৰিওপিনৰ যত গোলমাল, যত অসংগীত নিস্তব্ধ হৈ পৰিব, মাথোঁ সংগীতৰ ধ্বনিহে শুনা যাব? এনেকুৱা এটা যন্ত্ৰ উলিয়াব নোৱাৰি নে? তাই মিচিকিয়াই হাঁহিছিল—তাইৰ স্বামীৰ মূৰত কত আইডিয়া, কত কল্পনা!

*** *** ***

কিন্তু কিছুমান অসংগীত তেওঁলোকেও ভাল পায়। নিস্তব্ধ দুপৰীয়া নাৰিকলগছবোৰৰ পাত যেতিয়া কঁপে, তাই আচ্ছন্নৰ দৰে কাণ পাতি শুনে, ৰাস্তাৰে যেতিয়া গলত জুনুকা বন্ধা ঘোঁৰাৰ গাড়ী জুন্-জুন্ কৰি ঘোঁৰাৰ ক্লপ্-ক্লপ্ কদমেৰে পাৰ হৈ যায়, দুয়ো কথা বন্ধ কৰি ৰ লাগি শুনে, সেই শব্দ মিলি যোৱাৰ পাছত দুয়ো দুয়োৰে পিনে চাই এবাৰ মিচিকিয়াই হাঁহে। এইবোৰ অসংগীত, এইবোৰৰ কোনো নিৰ্দিষ্ট পৰ্যাবৃত্তি বা 'পিৰিয়'ডিচিটী' নাই (যিটোৰে বিজ্ঞানৰ মতে সংগীত আৰু গণ্ডগোলৰ পাৰ্থক্য কৰে বুলি তেওঁ আলোচনী এখনত পঢ়িছেঃ সংগীত বনাম সংগীত—শেষৰ শ্ৰোতাৰ হাতচাপৰি!), কিন্তু তেওঁ তাইক বুজাবৰ চেষ্টা কৰে (এইটোও তেওঁ আলোচনীত পঢ়িছে) যে গণ্ডগোল আৰু সংগীতৰ পাৰ্থক্য মনোগত, মনস্তাত্ত্বিক। ঘড়ীৰ টিক্-টিক্ শব্দ পৰ্যাবৃত্ত, কিন্তু সেইটো সাধাৰণতে সংগীত নহয়, আৰু ৰাতি টোপনিৰ সময়ত খেয়াল—এনেকি সুললিত ঠুংৰী—শুনিব লাগিলে সেইটো গোলমাল, অসংগীত।

যিটো ৰবিবাৰে তেওঁ প্ৰথম তাইৰ ঘৰলৈ যাব বুলি কৈছিল, তাই গোটেই দুপৰীয়াটো একো কৰিব পৰা নাছিল, তাই টেবুলৰ কাষত বহি বহীত হিজিবিজি লিখি কটাইছিল। কাষৰ কোঠাটোত বহি খাই উঠি দিবানিদ্ৰাৰ আগেয়ে তাইৰ দেউতাকে অভ্যাসমতে খবৰৰ কাগজ পঢ়িছিল, তাইৰ মনত আছে, কেনেকৈ কাগজৰ ওপৰত কলমৰ খচ্-খচ্ শব্দতেই তাই মাজে-মাজে উচপ খাই উঠিছিল, তাইৰ ভয় হৈছিল দেউতাই কিজানি এই শব্দটো শুনিছেই, দেউতাই কি বা নাভাবিছে। তেওঁ কাগজৰ পাত লুটিওৱাৰ শব্দটোও কিমান ডাঙৰ হৈ আহি তাইৰ কাণত পৰিছিল, তাইৰ আজিও মনত আছে। খিৰিকিৰ বাহিৰত নাৰিকলগছৰ পাতবোৰত বতাহৰ সৰ্-সৰ্ শব্দ হৈছিল, হুক্ এৰাই যোৱা এপাত খিৰিকি বৈ-বৈ কেঁ-চ্‌কৈ উঠিছিল। তাৰপাছত হঠাৎ তাইৰ দেউতাকে কাগজখন জপাই চকীখন পাছলৈ ঠেলি উঠি পৰিল। মজিয়াত চকীখন ঠেলাৰ শব্দটো কিমান প্ৰকাণ্ড যেন হৈ আহি তাইক চক্ খুৱাই দিছিল, সেই কথা তাইৰ আজিও মনত আছে। আজিও যেতিয়া তাই নিৰ্জন দুপৰীয়া নাৰিকলগছৰ পাতবোৰ বতাহত কঁপা শুনে, খিৰিকি এখনে কেঁ-চ্‌কৈ শব্দ কৰি উঠে, তাইৰ মনত পৰে...

আৰু তেওঁলোকৰ মনত আছে কেনেকৈ সন্ধিয়া তেওঁ অহাৰ পাছত দুটামান অ-সংলগ্ন কথা কোৱাৰ পাছত তেওঁলোক দুয়োৰে মুখৰ মাত বন্ধ

হৈ গৈছিল, কথা হেৰাই গৈছিল, কেনেকৈ দুয়ো অবোধৰদৰে, অৰ্বাচীনৰদৰে ইজনে সিজনৰ মুখলৈ চাই বাৰাণ্ডাত থিয় দি আছিল। কিমান সময় এনেদৰে দুয়ো দুয়োৰে মুখলৈ চাই থিয় দি আছিল আজি কাৰো মনত নাই, হয়তো এক মিনিট, হয়তো দহ মিনিট, লাহে-লাহে দূৰৈৰপৰা এটা জুনুকাৰ ক্ষীণ জুন্-জুন্ শব্দ ক্ৰমে স্পষ্ট হৈ-হৈ আগবাঢ়ি আহিছিল। মুখ নুঘূৰোৱাকৈয়ে দুয়ো বুজিব পাৰিছিল, এটা জুনুকা নহয়, দুটা নহয়, বহুতো জুনুকা জুন্-জুন্ কৰি সমুখৰ ৰাস্তাৰে পাৰ হৈ যাব ধৰিছে, গলত জুনুকা বন্ধা ঘোঁৰাৰ গাড়ীৰ শাৰী পাৰ হৈ যাব ধৰিছে, অথচ তেওঁলোকে বুজা নাছিল যে জুনুকা বাজিছে, যে ঘোঁৰাগাড়ীৰ শাৰী পাৰ হৈ যাব ধৰিছে, তেওঁলোকে তেতিয়াও দুয়ো দুয়োৰে মুখলৈ চাই মন্ত্ৰমুগ্ধৰদৰে থিয় হৈ আছিল...লাহে-লাহে জুনুকাৰ শব্দ আকৌ ক্ষীণ হৈ-হৈ অৱশেষত নুশুনা হৈ গ'ল, হঠাৎ যেন দুয়ো সম্বিত ঘূৰাই পালে, দুয়ো একেলগে চকুৰ পতা পেলাই মূৰ জোঁকাৰি উঠিল আৰু লগে-লগে দুয়ো একেলগে মিচিকিয়াই হাঁহিলে। তেওঁলোকৰ ক'বলগীয়া কথাখিনি যেন ইয়াৰ ভিতৰতে, এই শব্দৰ মিছিলৰ মাজতে, কোৱা হৈ গ'ল, তেওঁলোকৰ আৰু কথা বিচৰাৰ প্ৰয়োজন নহ'ল, তেওঁলোকৰ জড়তা কাটি গ'ল, দুয়ো আকৌ আগৰদৰে সাধাৰণ কথা পাতিব আৰম্ভ কৰিলে—

*** *** ***

অন্য ৰেচিচো হয়তো আছে এতিয়াও পৃথিৱীৰ বহু ঠাইত ঃ ভিতৰুৱা গাঁৱে-ভূঞে, য'ত যন্ত্ৰঘৰ্ঘৰ এতিয়াও গৈ পৌছা নাই—ৰুছিয়াৰ ভিতৰুৱা গাঁৱৰ খেতিয়ক, ৮০ৰ ওপৰ বয়স, সবল, সপ্ৰতিভ, নিউয়ৰ্কৰ ৬০ৰ ঘৰীয়া মানুহতকৈ যাৰ শ্ৰৱণশক্তি তীক্ষ্ণতৰ, আফ্ৰিকাৰ শান্ত মাবান্ ফৈদ, যাৰ সুতীব্ৰ শ্ৰৱণশক্তি বৈজ্ঞানিকৰ বিস্ময়—তেওঁলোকৰ বোলে ঢাক-ঢোল একো নাই, তেওঁলোকৰ খাদ্যত স্নেহপদাৰ্থ স্বল্প, তেওঁলোকৰ হৃদৰোগ নাই, উচ্চ ৰক্তচাপ নাই (আশ্চৰ্যৰ একো নহয়, কিয়নো বহুদিন আগেয়েই জাৰ্মান গৱেষণাই সপ্ৰমাণ কৰি গৈছে যে গণ্ডগোল, শ্ৰৱণশক্তি আৰু হৃদৰোগ পৰস্পৰ জড়িত)—কিন্তু ক'ৰবাৰ জংগলৰ মাবান্ ফৈদৰ মাজত তেওঁলোক গৈ থাকিব নোৱাৰে, এই পাৰিপাৰ্শ্বিকতেই তেওঁলোকে বিচাৰি উলিয়াব লাগিব তেওঁলোকৰ আপোন-আপোন ৰেচিচ্—

আৰু সঁচাকৈয়ে, আৰু এখন ৰেচিচ্ তেওঁলোকৰ আছিল, সন্ধিয়াৰ নিৰ্জন ফুটবল ফিল্ডৰ বেঞ্চি, য'ত তেওঁলোকে প্ৰথম অন্তৰঙ্গতাৰ পিছৰপৰাই গৈ বহিছে, চিত্ৰনাট্যখন কিদৰে আৰম্ভ হ'ব তেওঁ তাইক কৈছে ঃ

"কেমেৰাই লং-শ্বট্ মাৰি প্ৰথমে দেখুৱালে, অসংখ্য গিজ-গিজ মানুহৰ মূৰৰ ওপৰেদি (পিছপিনৰ এটা অট্টালিকাৰ প্ৰায় মূৰ্ধলৈকে) এটা ফুটবল ওপৰলৈ উঠি গৈ আকৌ নামি গ'ল, আৰু ছাউণ্ডট্ৰেকৰপৰা ওলাল বিৰাট কাপ-ফাইনেল জনতাৰ সন্মিলিত চিৎকাৰধ্বনি—হয়তো এটা গ'ল্ হ'ল, শব্দেৰে প্ৰেক্ষাগৃহ ভৰি পৰিল। কেমেৰা আগুৱাই গ'ল, গণ্ডগোল বাঢ়ি উঠিল, চিৎকাৰৰত উন্মত্ত জনতাৰ একাংশৰ ক্লজ্-আপ্, তাৰপাছত কেমেৰা আকৌ পিছুৱাই আহিল, লগে-লগে গণ্ডগোল কমি আহিল—গণ্ডগোল ফে'ড-আউট্—কাট্—গেটৰ ক্লজ-আপ্—ফে'ড ইন্, গেটখন সমুখত ৰাখি ফিল্ডৰ ভিতৰলৈ লং-শ্বট্, নিৰ্জন ফিল্ড, নিস্তব্ধ, সন্ধিয়া হৈছে, সন্ধিয়াৰ আলোছায়া, আন্ধাৰ হৈ আহিছে, গেটৰ ক্লজ-শ্বট্, নায়ক-নায়িকা গেটখন ঠেলি ভিতৰ সোমাল (তোমাৰ মোৰদৰে), ছাউণ্ড ঃ গেটৰ শব্দ, ফে'ড্ ইন্ জিলীৰ মাত, জোতাৰ শব্দ, দূৰৰ অট্টালিকাটোৰ খিৰিকিত লাইট জ্বলিছে, নায়ক-নায়িকা দূৰৰ এখন বেঞ্চিৰ পিনে আগুৱাই গৈছে (দীঘল ট্ৰলী শ্বট্), ক্লজ-আপ্ ঃ নায়িকাৰ মুখ, ছাউণ্ড ঃ নায়িকাই কৈছে—"

কি? কিয় তেওঁ ফুটবল খেলাৰ শ্বট্টো দেখুৱাব খুজিছে? ঠিকেই, ছবিৰ গল্পৰ লগত তাৰ কোনো সম্বন্ধ নাই, এই ছিকুৱেন্সটোৰ আচল কথাটো হ'ল নায়ক-নায়িকা সন্ধিয়া নিস্তব্ধ পাৰ্কত গৈ বহিছে, কথা পাতিছে। এ—নাই, নহয়, নহয় (তেওঁ সলজ্জ হাঁহি হাঁহিলে আৰু আচৰিত হ'ল, তাই কেনেকৈ কথাটো ধৰিলে), শ্বট্টো তেওঁ নিজে ভাবি উলিওৱা নাই, এখন নিয়'-ৰিয়েলিষ্ট ইটালীয়ান ছবি এনেদৰে আৰম্ভ হৈছিল (অৱশ্যে তাত কাহিনীটোৰ লগত ফুটবল খেলখনৰ সম্পৰ্ক আছিল)। নাই, তেওঁ মাথোঁ দেখুৱাব খুজিছে সন্ধিয়াৰ ফিল্ডখনৰ শান্তি আৰু সৌম্যতা প্ৰথমতে এটা কন্ট্ৰাষ্ট সৃষ্টি কৰি, এটা বৈষম্যৰ সৃষ্টি কৰি, ফিল্ডখন প্ৰথমতে গণ্ডগোলেৰে ভৰাই লৈ—

এইটো যেন এটা প্ৰতীক (তেওঁ কৈ গ'ল), আধুনিক মানুহৰ পৰিস্থিতিৰ প্ৰতীক, শব্দসৰ্বস্ব জীৱনৰপৰা আমি বিৰাম বিচাৰিছোঁ, জীৱনৰ সৰ্বব্যাপী সৰ্বগ্ৰাসী কোলাহল আৰু ধ্বনিপ্ৰাচুৰ্যৰ মাজে-মাজে একোটা নিৰল, নিস্তৰঙ্গ মুহূৰ্ত, যিটো আমাৰ সম্পূৰ্ণ নিজৰ, বাহিৰৰ প্ৰভাৱমুক্ত, দিনৰ হট্টগোলৰ শেষত এখন শান্ত-শীতল পাৰ্ক, গছৰ পাতত মৃদু মৰ্মৰ ধ্বনি, প্ৰশান্তি। দূৰৰ সেই আলোকিত খিৰিকিবোৰৰ কোনোবা এখনৰপৰা ভাহি অহা এটা গানৰ ক্ষীণ সুৰ, দিনৰ ট্ৰেঞ্জিষ্টৰ আৰু কৰ্কশ লাউডস্পীকাৰত যিটো গান চহৰৰ সৰ্বত্ৰ প্ৰচণ্ড বিকৃতিৰে বাজে অসহ্য, তাৰ অস্পষ্ট সুৰটোও এতিয়া শুনিবলৈ লাগিছে ভালেই বৰং—কিন্তু ৰ'বা ঃ

"(অকস্মাৎ) ছাউণ্ড ঃ ঘেৰ্ৰ্-ঘেৰ্ৰ্-গিঁ-গিঁ-গিঁ-খ্লিট্-ঘেৰ্ৰ্-ঘেৰ্ৰ্...কেমেৰা পেন্ কৰি গৈ পাৰ্কৰ দক্ষিণ কোণত ৰ'ল, কিছুমান বনুৱাই গছৰ ডালত পেট্ৰমাক্স লেম্প জ্বলাব ধৰিছে, এটা সৰু জুম বান্ধিছে, এজন মানুহে এটা বেটাৰীৰপৰা সংযোগ লৈ এটা মাইক্ৰ'ফ'ন খটুৱাব ধৰিছে, বক্তৃতা দিবলৈ এজন শ্ৰমিক নেতাই মাইকৰ দাণ্ডাডালত ধৰিছে, ক্লজ আপ্ ঃ লাউড্স্পীকাৰৰ ঘূৰণীয়া গৰ্ভ, ছাউণ্ড ঃ ঘেৰেৰ্-ঘেৰেৰ্-গিঁ-গিঁ-গিঁ-ঘেৰেৰ্—বন্ধুসকল, আজি আমি ইয়াত যি উদ্দেশ্যে সমবেত হৈছোঁ, আপোনালোকে জানে—ঘেৰ্ৰ-ঘেৰ্ৰ-গিঁ-গিঁ-গিঁ—পুঁজিবাদী ব্যৱস্থাৰ এই খ্লিট্-খ্লিট্-ঘেৰ্ৰ-ঘেৰ্ৰ—"

দূৰৰ খিৰিকিৰ গানৰ সুৰটো তেনেহ'লে আৰু নায়ক-নায়িকাই শুনা নাপায়, পাতৰ মৰ্মৰ ধ্বনিও আৰু শুনা নাযায়। তাই কথাটো একেবাৰেই ভাল নাপালে, তাই ক'লে, এনেকৈ নায়ক-নায়িকাৰ মধুৰ দৃশ্যটো নষ্ট কৰাৰ নো কি দৰ্কাৰ আছিল?

তেওঁ ক'লে যে দৃশ্যটো তেওঁ নষ্ট কৰা নাই, দৃশ্যটো আধুনিক সভ্যতাই নষ্ট কৰিছে, এই উৎকট যন্ত্ৰটো যদি আধুনিক সভ্যতাৰ অভিশাপ, তেনেহ'লে এই বনুৱাসকলৰ সমস্যা-ওজৰ-আপত্তিও আধুনিক সভ্যতাৰে সৃষ্টি, তেওঁলোককো উপেক্ষা কৰাৰ উপায় নাই। অৱশ্যে তেওঁলোকৰ এইবোৰ সমস্যা মোৰ ফিল্মত নাহে, কিন্তু মোৰ ফিল্মৰ এজন চৰিত্ৰই হয়তো এটা কাপোৰৰ কলত কাম কৰে, চকা ঘূৰিছে, বৈদ্যুতিক তাঁত চলিছে, তেওঁৰ কাণৰ ওপৰত তেওঁৰ স্নায়ুৰ ওপৰত বিচিত্ৰ যন্ত্ৰৰ বিচিত্ৰ শব্দৰ অহৰহ আঘাত, পিষ্টনৰ সংঘাত, শ্বাফ্টৰ ঘূৰ্ণন, তেওঁৰ স্নায়ুত ক্ৰমশঃ ক্লান্তি আহিছে, তেওঁৰ মুখৰ হাঁহি শেঁতা, তেওঁৰ চকুৰ তলত ক'লা দাগ, তেওঁৰ দেহ-মনত, তেওঁৰ মাংসপেশীত ভাগৰ, তেওঁৰ অঙ্গভঙ্গী অলস, তেওঁৰ বদমেজাজ বিবৰ্ধমান, তেওঁৰ মূৰৰ ভিতৰত যেন অগণন স্পিণ্ডল্ ঘূৰিছে, তেওঁৰ মস্তিষ্ক-প্ৰক্ৰিয়া ক্ৰমশঃ ব্যাহত...আৰু শিল্পক্ষেত্ৰৰ উৎপাদন কমি গৈছে, মেনেজিং-ডিৰেক্টৰৰ কোঠাৰ বেৰৰ গ্ৰাফবোৰ ক্ৰমান্বয়ে তললৈ নামি গৈছে (এইবোৰ সমস্যা লৈ ইউৰোপ-আমেৰিকাত অৱশ্যে আজিকালি যথেষ্ট কাম হ'ব ধৰিছে, পৰিৱেশ যথাসম্ভৱ শান্ত আৰু কাৰ্যোপযোগী কৰাৰ চেষ্টা চলিছে, কি যন্ত্ৰত কি কৰিলে গণ্ডগোল কমিব তাৰ গৱেষণা চলিছে)...মোৰ ফিল্মত নায়ক-নায়িকাৰ নিৰ্জনালাপ ভাঙি সোমাই আহিব পৃথিৱীৰ সমস্যাৱলীৰ কোলাহল—

তাইক চিন্তিত দেখা যায়, অথচ তাইৰ হাঁহিও উঠিব খোজে। এনে কৰিলে দৰ্শকে ভাল পাব নে? চিনেমাখন চলিব নে? গণ্ডগোলৰ তো ক'তো

অভাব নাই, কোনে নো পইছা খৰচ কৰি আকৌ গণ্ডগোল শুনিব যাব?

তাই মিচিকিয়াই হাঁহে আৰু কয়, তোমাৰ ফিল্মত নায়ক-নায়িকাৰ কথা দেখোন মানুহে শুনাই নাপাব। তেওঁ কান্ধ জোঁকাৰে আৰু কয় যে সেইটো তেওঁৰ দোষ নহয়, তেওঁ নিৰুপায়। পৃথিৱীখন যদি গোলমালেৰে ভৰ্তি তেওঁ কি কৰিব? যিহওক, দৰ্শকসকলে এখন সম্পূৰ্ণ বাস্তৱবাদী ছবি চাবলৈ পাব, বাস্তৱবাদৰ খাতিৰত দৰ্শকে এনেকুৱা দুই-এটা আহুকাল সহ্য কৰিবই লাগিব। মানুহে সমস্যাটো হৃদয়ঙ্গম কৰক। শুনক, শুনক, তেওঁলোকে সঙ্গীতৰ লগতে অসঙ্গীতবোৰো শুনক। মাথোঁ গান শুনিবৰ বাবেই কি মানুহৰ জন্ম হৈছে? তেওঁৰ ছবিত সকলো সঁচা শব্দ সোমাব, সকলো শব্দ বাস্তৱৰপৰা লোৱা হ'ব, যিবোৰ শব্দৰ মাজেৰে আমি সুখে-দুখে, প্ৰেমে-বিৰহে ডাঙৰ-দীঘল হৈছোঁ, যিবোৰ শব্দ প্ৰায় আমাৰ ধমনীৰে বৈ গৈছে, যিবোৰ শব্দৰ লগত আমাৰ জীৱন অবিচ্ছেদ্যভাৱে জড়িত, যিবোৰ শব্দই আমাৰ জীৱনৰ নাটকীয় মুহূৰ্তবোৰৰ কাহিনী কয়—বাস্তৱৰ সেই শব্দবোৰৰ মাজেৰে তেওঁৰ ছবিৰ কাহিনী আৰম্ভ হ'ব, উদ্ভাবিত হ'ব আৰু শেষ হ'ব। তেওঁৰ ছবিত বেক্‌গ্ৰাউণ্ড মিউজিক বা আবহ-সংগীত বুলি কোনো বস্তু নাথাকে—বাস্তৱৰ শব্দবোৰেই আমাৰ জীৱনৰ আবহসংগীত। বাস্তৱ-জীৱনত কি আমাৰ পাছপিনে এটা অৰ্কেষ্ট্ৰা বাজি থাকে?

*** *** ***

কিন্তু তাইৰ মুখৰ হাঁহি মাৰ যায়, যেতিয়া দেখে বহু ৰাতিলৈ তেওঁ শুব আহা নাই, তাৰপাছত সিটো কোঠাত গৈ দেখে তেওঁ টেবুলত তেওঁৰ লিখি থকা চিত্ৰনাট্যখনৰ ওপৰত মূৰ থৈ টোপনি গৈছে। এটা চিকুৰেন্সো এতিয়ালৈকে তেওঁৰ মনঃপূত হোৱা নাই, বাৰে-বাৰে লিখিছে আৰু কাটিছে, কাহিনীটোৰ লগত শব্দবোৰ কোনোমতে ঠিককৈ ভৰাব পৰা নাই। শব্দই তেওঁক সমানে আমনি দি চলিছে। কেতিয়াবা তাই হাঁহি-হাঁহি কৈছে, বেয়া লগা শব্দবোৰ, কষ্টদায়ক-পীড়াদায়ক অসঙ্গীতবোৰ ফিল্ম এখনত ভৰোৱাতকৈ অইন ক'ৰবাতে নো নভৰোৱা কিয়, সিদিনা ৰবিশঙ্কৰৰ চেতাৰ শুনিবলৈ গৈ যেনেকুৱা কৰাৰ কথা কৈছিলা? তেনেকুৱা কিবা এটা যন্ত্ৰ? কিন্তু কেনেকৈ তেনেকুৱা কৰিব পাৰি তেওঁ ভাবিব নোৱাৰে, তেওঁৰ কোনো ধাৰণা নাই, তেওঁ সকলো শব্দ তেওঁৰ চিত্ৰনাট্যতে ভৰাই গৈছে।

তেওঁৰ চুলিৰ মাজেৰে আঙুলি বুলাই-বুলাই তাই তেওঁক টোপনিৰপৰা উঠাবৰ চেষ্টা কৰে, তাই ভাবে, ইয়াৰেই নাম কিজানি সেই ইংৰাজী শব্দটো,—সেই শব্দটো, যিটোৰ কথা এদিন তেওঁ কথাই-কথাই উলিয়াইছিল। কি আছিল শব্দটো? ছাব্—ছাব্লি—অ 'ছাব্লিমেশ্যন্'! কবি গ্যেটে ডেকা বয়সত প্ৰেমৰ বেদনাত আত্মহত্যা কৰিবলৈ চঞ্চল হৈ উঠিছিল, মৰিয়া হৈ উঠিছিল। উপায় নাপাই তেওঁ এজন আত্মহত্যাপ্ৰৱণ যুৱকৰ কাহিনী লিখি পেলালেঃ 'ডেকা ভেয়াৰ্থাৰৰ দুখ', আৰু তেওঁৰ আত্মহত্যাৰ প্ৰবৃত্তি ডেকা ভেয়াৰ্থাৰলৈ স্থানান্তৰিত কৰি কল্পনাতে নিজক হত্যা কৰি গ্যেটেই নিজক আত্মহত্যাৰ চিন্তাৰপৰা মুক্ত কৰিলে। চিত্ৰনাট্যখনৰ কাগজবোৰ সৰিয়াই-সৰিয়াই তাই ভাবিলে, এই চিত্ৰনাট্যখনেই হয়তো তাইৰ স্বামীৰ 'ছাব্লিমেশ্যন্', ইয়াৰেই তেওঁ শব্দৰ প্ৰভাৱৰপৰা নিজক মুক্ত কৰিব বিচাৰিছে...ফ্‌ট্-ফ্‌ট্-ফ্ৰ্‌ট্—ধুম্—ফ্‌ট্-ফ্‌ট্-ফ্ৰ্‌ট্—ধুম্—তেওঁ সাৰ পায়, চকু মোহাৰি-মোহাৰি লজ্জিত হাঁহি মাৰি তেওঁ কয়, "চাৰে এঘাৰটা বাজিলেই নে?", আৰু দুয়ো দুয়োৰে পিনে চাই এবাৰ মিচিকিয়াই হাঁহে।

*** *** ***

কিন্তু ধাৰণা আছে, যন্ত্ৰটো কেনেকৈ বনাব পাৰি ভাবিব পাৰে, এনেকুৱা এজন মানুহ এদিন তেওঁলোকৰ বহাঘৰৰ চকীত উৰুৰ ওপৰত ভৰি তুলি দি বহিল আৰু গৰ্-গৰ্‌কৈ কথা ক'ব আৰম্ভ কৰিলে, ৰেডিঅ' ষ্টেশ্যনৰ এজন ছাউণ্ড ইঞ্জিনীয়াৰ, শব্দযন্ত্ৰী। ৰেডিঅ'ত কথিকা এটা দিবলৈ গৈ তেওঁৰ এই দক্ষিণদেশীয় শব্দযন্ত্ৰীজনৰ লগত পৰিচয় হ'ল, পৰিচয় হৈ বন্ধুত্ব হ'ল, আৰু বন্ধুত্ব কৰি ঘৰলৈ ধৰি লৈ আহিল। মানুহজনৰ ভৰি দুখনহে যেন মাটিত আছে, মূৰটো মেঘৰ মাজত, তেওঁৰ মূৰটোতো অসংখ্য পৰিকল্পনা গিজ্-গিজ্ কৰে, তেওঁ যন্ত্ৰটোৰ কথা মুঠেই উৰাই নিদিলে। তেওঁ ক'লে যে শব্দ এবিধ শক্তি, এবিধ এনাৰ্জি, আৰু সকলো শক্তিকে আন-আন ধৰণৰ শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰি। শব্দক আমি গতিশক্তিলৈ ৰূপান্তৰিত কৰিব পাৰোঁ, তাপ-শক্তিলৈ নিব পাৰোঁ, চৌম্বক বা বৈদ্যুতিক শক্তিলৈ নিব পাৰোঁ (মাইক্ৰ'ফন আৰু টেলিফ'নত তাকেই কৰিছোঁ), গতিকে চাৰিওপিনৰ গোলমালৰ শব্দশক্তি আমি নিশ্চয় অইন কিবা শক্তিলৈ ৰূপান্তৰিত কৰি শব্দবোৰ নুশুনা কৰি দিব পাৰিম। এইটো এটা 'বিউট্টিফুল্অ' আইডিয়া, তেওঁ ক'লে, 'থিয়ৰ্‌ৰিট্টিকেলি' মুঠেই অসম্ভৱ নহয়। কিন্তু অসুবিধা এই যে শব্দৰ শক্তি ইমান ক্ষুদ্ৰ (যদিও আমাৰ ওপৰত তাৰেই প্ৰভাৱ দুৰ্দান্ত) যে অকল তাৰ শক্তিৰে যন্ত্ৰটো চলোৱা কিজানি টানেই হ'ব। তেওঁ ক'লে যে সাধাৰণ কথা-বাৰ্তাত শব্দশক্তি ওলায় মাথোঁ ছেকেণ্ডত প্ৰায় ১২৫ 'আৰ্গ্' একক (সেইটো যিয়েই নহওক বাৰু), মিটিঙৰ বক্তৃতাত কিছু বেছি—প্ৰায় ২৫০০ আৰ্গ্, খুব বেছি জোৰে কথা ক'লে প্ৰায় ২০,০০০ আৰ্গ্। তেওঁ আৰু ক'লে যে এখন ফুটবল খেলৰ জনতাই গোটেইখন খেলত যিমান চিঞৰে, সেইখিনি শব্দশক্তি মাথোঁ একাপ চাহৰ জোখাৰে পানী তপতাবলৈহে কোনোমতে জুৰিবগৈ। (ইচ্ চাহৰ কথা যে তাই কথা শুনোতে-শুনোতে পাহৰিয়েই গৈছিল! শব্দযন্ত্ৰীক নিজ খুশীত বক্তৃতা দি থাকিবলৈ দি তাই ভিতৰলৈ গৈ কেট্‌লীটোত পানী ভৰাব ধৰিলে—কি-কি যে নাভাবে মানুহবোৰে! ফুটবল খেলাৰ হুলস্থূলেৰে পানী গৰম কৰাৰ কথা নো বাৰু কেনেকৈ মানুহৰ মনত খেলায়!)। গণ্ডগোল যদিও আমাৰ কাণত প্ৰচণ্ড হৈ বাজে, তথাপি অইন-অইন শক্তিৰ তুলনাত শব্দশক্তি নগণ্য। আমাৰ কাণখন ইমান এটা আচৰিত যন্ত্ৰ, ইমান সূক্ষ্ম, ইমান সুবেদী, যে প্ৰতি বৰ্গ ছেন্টিমিটাৰত মাত্ৰ ১০-১৬ ৱাট্ পাৱাৰবিশিষ্ট অতি ক্ষীণ শব্দ এটাও তাত ধৰা পৰে, সেই কাৰণেই এই নিকৃষ্ট পৰিমাণৰ শক্তিবোৰৰ আমাৰ ওপৰত এনেকুৱা ক্ৰিয়া! (ভিতৰৰপৰা কাপকেইটা ট্ৰে'ত সজাই-সজাই তাই কিছুমান শব্দ শুনিলে, তাই অলসভাৱে ভাবিলে—ৱাট? ৱাট্? আমাৰ পাকঘৰৰ এই বাল্বটো ৬০ ৱাট্...)। তেওঁ আৰু ক'লে যে যন্ত্ৰটো হ'ব লাগিব স্বয়ং-চালিত, 'ফীড্-বেক্' জাতীয় সঁজুলি, তেহে তাক সাজি লাভ আছে। বাহিৰাকৈ শক্তি খৰচ কৰিব লাগিলে আমি ঘৰ-দুৱাৰ বন্ধ কৰি কাণত তুলা দি সোমাই থাকাই বৰং সহজ হ'ব। শব্দৰ শক্তিৰেই পাৰিলে কামটো কৰিব লাগে, মাছৰ তেলেৰেই মাছ ভাজিব লাগে। কিন্তু এই দুৰ্ভিক্ষ-পৰিমাণ শক্তি কাৰ নাকত দিব পাৰি? "হোৱাট্ৰে পিট্টি! হোৱাট্ৰে পিট্টি!"

*** *** ***

লাহে-লাহে তেওঁ তাইক লৈ পাৰ্কলৈ যাবলৈ এৰি দিলে, তেওঁলোকৰ ভঁৰাল-ঘৰটোৰপৰা দিনে-নিশা আচৰিত-আচৰিত শব্দ ওলাব ধৰিলে, ভঁৰালঘৰটোৰ পুৰণি ট্ৰাঙ্ক-টিন এফলীয়াকৈ থৈ যিখিনি ঠাই ওলাল, তাতে তেওঁ শব্দযন্ত্ৰীৰ লগত খুটুং-খাটাংকৈ আজৰি সময়খিনি কটাব ধৰিলে, টেলিফ'ন্-এক্সচেইঞ্জৰদৰে তাঁৰেৰে গোটেইটো কোঠালি ভৰ্তি হৈ উঠিল, শব্দযন্ত্ৰীয়ে কোঠাটোত অদ্ভুত শব্দ-সঁজুলি আনি ঠাহ খুৱাব ধৰিলে—অ'ত এটা মাইক, ত'ত এডাল সুৰ-শলাকা (হেনো সৰলতম শব্দৰ ঢৌ দিয়ে), এটা প্ৰেৰকযন্ত্ৰ, ভাল্‌ভ্, ক্ৰিষ্টেল, ছাইৰেন, বিভিন্ন আকৃতিৰ গোল-চেপেটা শঙ্কু আকৃতিৰ বস্তু, আৰু কত কি। প্ৰথম তাই আপত্তি কৰিছিল, ভঁৰালঘৰত এইবোৰ হ'ব নোৱাৰে—কিন্তু অৱশেষত তেওঁলোকৰ কাতৰ

অনুনয়-বিনয়ত সন্মতি দিবলৈ বাধ্য হ'ল অনিচ্ছা সত্ত্বেও, অলপ হাঁহিবৰো চেষ্টা কৰিলে মনে-মনে, প্ৰাপ্তবয়স্ক সৰু ল'ৰা দুটাই এই খেলনাবোৰ লৈ যদি ইমান স্ফুৰ্তি পায়, কৰক, দুদিন পিছতে নিশ্চয় আমনি লাগিব...

কিন্তু দুদিন পাছত তেওঁলোকৰ আমনি নালাগিল, বৰং বেছি তন্ময় হৈহে তেওঁলোকে কোঠাটোৰ ভিতৰত ব্যস্ত হৈ পৰিল। শব্দযন্ত্ৰীয়ে নানাধৰণৰ শব্দ টেপ কৰি আনিলে, সেইবোৰ বজাই-বজাই কিবা পৰীক্ষা কৰিব ধৰিলে ঃ তবলাৰ বোল, মৃদঙ্গমৰ গ্ৰাম, বেহালাৰ ৰেপ, চাইকেলৰ ঘণ্টা, এটা কুকুৰে ভুকিছে, পিস্তল-গৰ্জন, ৰাস্তাৰ যান-বাহনৰ ৰেকৰ্ডিং, বিভিন্ন পুৰুষকণ্ঠ, নাৰীকণ্ঠ, শিশুকণ্ঠ, বাঘৰ হুঙ্কাৰ, কোকিলধ্বনি, এটা অন্তৰঙ্গ সুৰা-পাৰ্টী (কি কথা-বাৰ্তা!), এজনী বুঢ়ীৰ টিংটিঙীয়া মাত আৰু এটা (সম্ভৱতঃ শকত দিলখোলা এজন মানুহৰ) অট্টহাস্য, এটা বোমাবিস্ফোৰণ, ক'ৰবাত এটা চকা ফুটিল ধুম্‌কৈ (তাৰপাছত বতাহখিনি ছুঁ-ই-ই-ৎ-কৈ ওলাই গ'ল), আৰু আপোনমনে কোনোবাই সুহুৰি মাৰিছে...বাঘৰ মাত শুনি পাড়াৰ মানুহবোৰ এদিন ৰাতি সচকিত হৈ উঠিল, চাৰিওপিনে আপত্তি উঠিব ধৰিলে। হ'ব ধৰিছে, হ'ব ধৰিছে—তাইৰ হাতৰপৰা কাপ-কাপ চাহ লৈ শব্দযন্ত্ৰীয়ে উৎসাহাতিশয্যত দ্ৰুতবেগে কৈ যায়—যন্ত্ৰটোৱে কিছু ফল দেখুৱাব ধৰিছে, কেইবা ধৰণৰো শব্দ শোষণ কৰি ল'ব পাৰিছে (আৰু গোপনমনে সুখস্বপ্ন দেখে, কেতিয়া তেওঁ এই বিষয়ে 'জাৰ্নেল অফ্ দি একুষ্টিকেল ছ'চাইটী অফ্ এমেৰিকা' বা 'ঝুৰ্নাল্ ডেয়াৰ্ আকুষ্টিক'ত পে'পাৰ্ এখন প্ৰকাশ কৰিব পাৰিব!) কাগজ এজাপ উলিয়াই তেওঁ কয়, "গুড্ নিউজ্ দিদ্দি—যন্ত্ৰটোৰ থিয়ৰীটো ৰাফ্‌লি থিয় কৰালোঁ, ইট্ ইজ ৰিয়েলি ৱণ্ডাৰ্‌ৰফুল্ল'—, এনেকি পেটেন্ট কৰিবলৈ তেওঁলোকে যন্ত্ৰটোৰ নাম এটাও ভাবিছে—'শব্দলীন' বা 'মিনিনয়জ্'—হয়তো 'মিনিনয়জ'-এই ভাল হ'ব, কি কয় দিদ্দি?"—কিন্তু তেওঁ হোঃ-হোঃ-কৈ হাঁহি উঠে, তেওঁ কয়, "ইয়াকেই কয় ৰাম নহওঁতেই ৰামায়ণ, পুটিং দি কাৰ্ট্ বিফ'ৰ দি হৰ্ছ্"—শব্দযন্ত্ৰীয়ে এটা অপ্ৰস্তুত হাঁহি মাৰি কাগজখিনি নুৰিয়াই যন্ত্ৰৰ কেবিনেট এটাৰ পিছপিনে লাহেকৈ পেলাই দিয়ে—দিদ্দিয়ে মাথোঁ হাঁহে, খেলখন কেতিয়া শেষ হ'ব ভাবে।

*** *** ***

খেলখন শেষ হোৱাৰ কোনো লক্ষণ দেখা নগ'ল। প্ৰেছৰ কামত তেওঁৰ বেমেজালি ঘটিব ধৰিলে, চিত্ৰনাট্যখনৰ পাতবোৰে উঁইৰ অপেক্ষা কৰিব ধৰিলে। শব্দযন্ত্ৰীৰ উৎসাহ অদমনীয়, তেওঁ নানা ধৰণৰ কিতাপ আৰু আলোচনী আনিব ধৰিলে, ক'ৰবাৰপৰা এখন ব্লেকবৰ্ড লৈ আনি চকেৰে সমীকৰণ লিখি চিত্ৰ আঁকি তেওঁক (পাৰিলে দিদ্দিকো) শব্দতত্ত্ব বুজাব ধৰিলে—পাইথাগোৰাচে কি পৰীক্ষা কৰিছিল, লৰ্ড ৰ্‌য়েলীয়ে কি প্ৰমাণ কৰিছিল, হে'ল্‌ম্ হ'ল্টচ, চেবাইন আৰু ৰমনে কি ভাবিছিল, আৰু শব্দৰ তীব্ৰতাৰ মাপ ঃ বে'ল্ আৰু ডেচিবে'ল্। ভঁৰালঘৰ হৈ পৰিল একাধাৰে ভঁৰালঘৰ, পঢ়াশালি আৰু লেবৰেটৰী। পাড়াৰ মানুহে শুনিলে তেওঁলোকৰ ৰাস্তাত জলপ্ৰপাত নামিছে, ৰাস্তাৰ মাজেৰে ট্ৰেইন চলিছে, এটা ছেক্সফ'নত জাজ্-বাদ্য বাজিছে আৰু তাৰ মাজে-মাজে কোনোবাই হঠাৎ কৈ উঠিছে, "হোৱাট্টে পিট্টি!"

"পিট্টি দি পুঅ'ৰ্ ৰেট্‌চ্...বেচেৰা এন্দুৰবোৰ...", পাকঘৰৰপৰা তাই শুনিলে, তাইৰ বিৰক্তি উপজিব ধৰিলে। এন্দুৰ? কি এন্দুৰ? চৱিছ ঘণ্টা শয়নে-জাগৰণে মিনিনয়জ্-মিনিনয়জ্ কৰি থকা এই কাণ্ড-জ্ঞানহীন মানুহ দুজনে আজি আকৌ কি এন্দুৰৰ কথা পাতিছে? এন্দুৰৰ মাত? ভাগ্য ভাল, পাকঘৰটোত এতিয়া এন্দুৰৰ উৎপাত নাই—(কিছুদিন আগলৈকে আছিল), কোনো এটা খোৱাবস্তু বাহিৰত এৰি থৈ যাব নোৱাৰি, গায়ে-মূৰে আহি উঠিব খোজে, ভৰিৰ ওপৰেদিয়েই পাৰিলে সুৰ্‌সুৰকৈ দৌৰ মাৰি যায়...অত্যন্ত বিৰক্তিকৰ (যদিও এতিয়া নাই)—কেট্‌লীটো বক্‌বক্‌কৈ উতলিব ধৰিছে, ষ্ট'ভৰ কাষত অসম্ভৱ গৰম, কাপ-প্লেটবোৰ ধুবলৈ সময়েই হোৱা নাই, ইমান লেতেৰা—ল'ৰাটো যে ক'লৈ গ'ল,—কি বিৰক্তিকৰ—দিনটো অফিচত গৰম আৰু ঘাম আৰু কাম আৰু গণ্ডগোল, আৰু ঘৰলৈ আহি এই গৰম পাকঘৰ, এই লেতেৰা কাপ-প্লেট, তেওঁলোকৰতো কোনো চিন্তাই নাই তাইৰ কি হৈছে, কল্পনাৰাজ্যত মত্ত হৈ ৰৈ আছে তাই লাগ বোলোঁতেই চাহ লৈ যাব, তাই এটা মেশ্বিন নেকি, তাইৰ দুখ-ভাগৰ নাই নেকি—একো কৰিবৰ মন যোৱা নাই, মূৰটো টিং-টিং কৰিছে, এটা এস্পিৰিন পোৱা হ'লে...বিছনাত চব বাদ দি শুই থাকিব পাৰা হ'লে...দিনটো আজি কি যে বিৰক্তিত গৈছে, নতুন ঘটনা একো নাই, তথাপি কিয় যে আজি ইমান বিৰক্তি লাগি আছে, কাৰো লগত কথাই ক'বৰ মন নাযায়, কোনোবাই কিবা এটা ক'লৈই টিকিচ্‌কৈ খং উঠি যায়, হে'ড্ এছিষ্টেন্টক এনেকৈ নক'লেও হ'লহেঁতেন, ইমান কন্সিডাৰেট্ মানুহজন, তেওঁ আচৰিত হৈ গৈছে আজি হঠাৎ ইমান সামান্য কথাতে তাইৰ কি খং উঠিল...বক্‌বক্‌কৈ পানী উতলিছে, ধোঁৱা ওলাব আৰম্ভ কৰিছে...কেট্‌লীটোৰ হেণ্ডেলডাল ইমান গৰম হয়, কিমান দিনৰপৰা কৈ আছে যেন এটা বেত-মেৰোৱা হেণ্ডেলৰ কেট্‌লীকে...তেওঁ এবাৰ আহি সুধিবও নোৱাৰে নেকি গা বেয়া লাগিছে নেকি, দিনটো অফিচ কৰি আহিছে, মুখ শেঁতা পৰি আহিছে, তেওঁ দেখাই নাপায় নেকি...আগেয়ে দেখোন তাইৰ সামান্য কিবা এটা হ'লেই...আৰু আজিহে অফিচত তেওঁলোকে ছুপাৰিন্টেন্‌ডেন্টৰ ৰুমটোত পাৰ্টিশ্যন বহুৱাবলৈ পালে, ওৰে দিন তাৰ বেৰবোৰত শিৰীষ-কাগজ ঘঁহিছে, ইমান ভাগৰ লাগা ঘিচিঘিচিঘিচিঘিচি শব্দ, শুনিলেই দাঁত শিৰশিৰাই যায়, ওৰে দিন তাকে ঘঁহি আছে তাইৰ কাণৰ কাষতে ঘিচিঘিচিঘিচিঘিচি—ঘিচিঘিচিঘিচিঘিচি....হঠাৎ পানীৰ বক্‌বক্ বন্ধ হৈ একটানা সুৰত কেটলীত পানী ফুটিব ধৰিলে, ভমক্-ভমক্ নকৰি এডাল দীঘল বগা ৰিবনৰ দৰে মুখৰপৰা স্থিৰগতিত ধোঁৱা ওলাব ধৰিছে, তাই যেন সম্বিত ঘূৰাই পালে, পাকঘৰৰ গৰম আৰু গণ্ডগোল যেন হঠাৎ বহুখিনি কমি গ'ল, আৰু তাই বুজিব পাৰিলে কপালৰ গাঁঠি থোপা কৰি তাই ইমান সময় ভঁৰালঘৰৰপৰা আহা উচ্চস্বৰ আলোচনাৰ কেইটামান বিক্ষিপ্ত শব্দ শুনিছে আৰু সেইবোৰ সঠিকভাবে সংস্থাপন কৰিব পৰা নাই আৰু অৱশ্যেই, শিৰীষ-কাগজ ঘঁহাৰ জঘন্য শব্দখিনিৰ কাৰণেই হয়তো তাই আজি অফিচত সকলোকে ইমান বদ্‌মেজাজেৰে—আঃ, অতপৰে তাই কথাখিনিৰ আঁত ধৰিব পাৰিছে মোটামুটি (তেওঁলোকৰ এটা পুৰণি আলোচনা), যেন ধোঁৱাৰ মাজেৰে এখন অস্পষ্ট ছবি তাই কল্পনা কৰি ল'ব পাৰিছে ঃ এটা গঁড়াল, তাৰ ভিতৰত এজাক এন্দুৰ পোৱালী, শব্দযন্ত্ৰীয়ে এটা ছিগ্‌নেল্-জেনেৰেটৰ টিপিছে, মটৰচাইকেলৰ ইঞ্জিন ষ্টাৰ্ট্ লোৱাৰদৰে ৩০ ছেকেণ্ড জোৰা এটা ফট্‌ফট্ শব্দ ("আহা!" শব্দযন্ত্ৰীয়ে ডায়েল এটা চাই কৈছে, "প্ৰায় ১০০ ডেচিবে'ল্!"), প্ৰথমে একো নহ'ল, তাৰপাছত শব্দটো শুনিলেই এন্দুৰ পোৱালিবোৰ ত্ৰস্ত হৈ ছট্‌ফট্ কৰি উঠিল, তাৰপাছত সিহঁতৰ সৰহভাগেই লুটিবাগৰ খাই মৰি থাকিল...গঁড়ালৰ ভিতৰত এজনী গৰ্ভৱতী এন্দুৰী, বগা দীঘল কোট পিন্ধা এজন বৈজ্ঞানিকে বাহিৰপৰা নিৰীক্ষণ কৰিছে আৰু মাজে-মাজে আঙুলি এটা দাঙিছে, লগে-লগে শব্দযন্ত্ৰীয়ে ঘণ্টা এটা বজাই দিছে ঢং কৰি, এন্দুৰীজনী চঁক্ খাই ছটফটাই উঠিছে, এটা এ'ক্স-ৰে' যন্ত্ৰই তাইৰ পেটৰ ছবি ল'লে, এটা উজ্জ্বল লাইটৰ বিপৰীতে এ'ক্স-ৰে' প্লেটখন ধৰি বৈজ্ঞানিকে জুমি-জুমি চাইছে, তেওঁ কৈছে (পৰম হৰ্ষেৰে)—"আঃ, যি ভাবিছিলোঁ সেয়ে—ফে'টাচ্ ডেমেইজ্‌ড্—ভ্ৰূণ নষ্ট হৈ গৈছে (শব্দযন্ত্ৰীয়েও জুমি-জুমি চাই পৰম আগ্ৰহেৰে কৈছে, "পিট্টি! পিট্টি!")—মানুহৰ ক্ষেত্ৰতো সেয়ে হয়, আমি জানো, মেটাৰ্নিটী ৱাৰ্ড্ সদায় ৰাস্তাৰ হাল্লাৰপৰা দূৰত ৰাখিব লাগে, নিয়মেই আছে—গৰ্ভধাৰণৰ শেষৰ পিনে গণ্ডগোলে আঘাত কৰিলে মাকৰ হৃদস্পন্দন দ্ৰুততৰ হয়, লগে-লগে মাকৰ গৰ্ভৰ ভ্ৰূণটোৰো হৃদস্পন্দন বাঢ়ি যায়, ভ্ৰূণ-হানিৰ প্ৰবল

সম্ভাৱনা...”—নিজৰ অজ্ঞাতেই তাই তাইৰ পেটত হাত দিলে, হঠাৎ তাইৰ মুখত এটা মৃদু হাঁহি খেলি গ’ল, তাই কপালৰ ঘামখিনি মচি পেলালে আৰু স্ট’ভটো নুমাই দিলে, অকস্মাৎ তাইৰ কপালৰ ৰেখাবোৰ অদৃশ্য হৈ গ’ল, মুখখন স্নিগ্ধতাৰে ভৰি পৰিল—

যেতিয়া স্মিতমুখে তাই ট্ৰে’খন লৈ তেওঁলোকৰ ওচৰলৈ আহিল, তেতিয়া মূষিক-প্ৰসংগ বন্ধ হৈছে, দুয়ো ভৰি মেলি দি আঁউজি বহি টে’প ৰেকৰ্ডাৰত মৃদু ভলিউমত কিবা এটা ক্লাছিকেল বাজনা শুনিছে, শান্ত সৌম্য পৰিৱেশ—কাপটো তুলি লৈ তাইৰ মুখলৈ চাই তেওঁ অলপ আচৰিত হৈ গ’ল, কিয় আচৰিত হৈ গ’ল তেওঁ ঠিক ধৰিব নোৱাৰিলে, হঠাৎ তাইৰ শেঁতা হাতখনৰ আঙুলি এটাত চকু পৰিল, সিদিনা কেটলীৰপৰা গৰম পানীৰ ছিটিকনি পৰি পুৰি গৈছিল, তেওঁ লৰালৰিকৈ মলম লগাই দিছিল, এতিয়া ঘাটো শুকাইছে...হঠাৎ তেওঁৰ মনত খেলালে, কিয় তেওঁ আচৰিত হৈ গৈছিল। অফিচৰপৰা তাই ঘূৰি আহোঁতে তেওঁ তাইক চকামকাকৈ এবাৰ দেখিছিল, মুখখনত বিৰক্তি, বিতৃষ্ণা আৰু ভাগৰ—কিন্তু তেওঁলোক তেতিয়া ব্যস্ত হৈ আছিল (ভাবি এতিয়া তেওঁৰ লাজ লাগিল)...আৰু এতিয়া এই কেইমিনিটমানৰ ভিতৰতে তাইৰ মুখখন ইমান শান্ত, ইমান তাজা, ইমান স্নিগ্ধ...তেওঁৰ ভাবি আৰু লাজ লাগিল, বেত নেমেৰোৱা কেট্‌লীটোৰ হেণ্ডেলডাল, গৰম হ’লে ইমান গৰম হয়, তাই চাদৰখনেৰে বা কাগজৰ সোপা বনাই ধৰিব লাগে, কিমান দিনৰপৰা কৈ আছে তেওঁক, এটা বেত মেৰোৱা কেট্‌লী...বিৰক্তিকৰ, এই সাধাৰণ কথাবোৰ আমাৰ দেশত ইমান অৱহেলিত, কোনেও অলপো ভাবি নাচায় যে অলপ কিটিপ খটুৱাই ল’লেই দৈনন্দিন জীৱনযাত্ৰা কিমান সহজ হৈ পৰে, কিমান গেবাৰী খাটনিৰপৰা গৃহিণীসকলে ৰক্ষা পায়...তেওঁ কল্পনা কৰিলে বগা এপ্ৰন পিন্ধি তাই এটা অত্যাধুনিক বগা পেনেলিং দিয়া বেৰৰ পাকঘৰত কাম কৰিছে (যেনেকুৱা পাকঘৰৰ ছবি তেওঁ পাশ্চাত্যৰ আলোচনীত আৰু বোলছবিত দেখিছে)...খোৱাবস্তু টাটকা ৰাখি ধুনীয়া ৰেফ্ৰিজাৰেটৰ চলিছে, বৈদ্যুতিক ছুৰিয়ে আলুৰ বাকলি এৰুৱাই দিছে, বৈদ্যুতিক ঘোটনীয়ে কণী ঘুটি দিছে, বৈদ্যুতিক মিক্সাৰে কফি গুড়ি কৰি গৰম কৰি চেনি-গাখীৰ মিহলাই ঘুটি দিছে, ছেন্ট্ৰিফিউগেল প্ৰক্ষালকে কাঁহী-বাটি জোঁকাৰি-জোঁকাৰি ধুই শুকৱাই দিছে, তাই মাথোঁ বুটাম টিপিছে, ডায়েল ঘূৰাইছে, চুইচ বন্ধ কৰিছে—আৰু কাষৰ বহা-কোঠাৰপৰা শোৱা-কোঠাটোৰপৰা ভেকুৱাম-ক্লিনাৰে মজিয়া আৰু কাৰ্পেট পৰিষ্কাৰ কৰাৰ দীঘল একটানা সুহুৰি ভাহি আহিছে—আৰু (কাপটো তেওঁ থক্ কৰি নমাই থ’লে), তাই আলাদীনৰ আশ্চৰ্য প্ৰদীপৰ দৈত্যই যোগান ধৰা এই পাকঘৰৰপৰা ওলাই আহিছে চিনিব নোৱাৰি, মুখৰ স্নিগ্ধতা বিলুপ্ত, যেন কিমান জীৰ্ণ, ক্লান্ত, চুলি বিপৰ্যস্ত, মুখভৰা বিৰক্তি, চকুৰ কোণত ক’লা দাগ, ওঁঠ চেপা, ওচৰ চাপিব ভয় লাগে—

“আঃ বাট্ নে’চ্ছাৰ্ৰেলি নে’চ্ছাৰ্ৰেলি”, শব্দযন্ত্ৰীয়ে বুজাই দিলে, “ভাবি চাওক, এই আল্ট্ৰামডাৰ্ন কিচ্ছেন্‌অত নয়জ্-লেভেল কি বিৰাট...তাৰ প্ৰতিটো যন্ত্ৰত একোটাকৈ মটৰ ঘূৰিছে তাৰ নিজ-নিজ শব্দেৰে বিভিন্ন ফ্ৰিকুৱেন্সিত, গতিকে বিভিন্ন নয়জ্-লেভেলত বিভিন্ন সুৰৰ শব্দই ঘৰ-পাকঘৰ ভৰ্তি কৰি ৰাখিছে, হিচাপ কৰি পোৱা গৈছে যে এই শব্দৰ তীব্ৰতা ডেৰশ-দুশ ডেচিবে’ল্—কাণৰ সহ্যসীমাতকৈ বেছি—এই শব্দ এখন ডাঙৰ জে’ট্-বিমানৰ ওচৰৰ শব্দৰ বা তীখা-কাৰখানাৰ ভিতৰৰ শব্দতকৈও বেছি...যন্ত্ৰদানৱে কি কোনো মূল্য নোলোৱাকৈ গৃহিণীসকলক ইমান কাম কৰি দিব...আৰু সেয়েই কি তেওঁলোকৰ সংসাৰত ঘৰুৱা পৰিৱেশ ঠায়ে-ঠায়ে ইমান ভঙ্গুৰ, দাম্পত্য-কলহৰ প্ৰৱণতা ইমান বেছি...।”

কি সৌভাগ্য, তেওঁ ভাবিলে, যে এনেকুৱা অতি-আধুনিক পাকঘৰত তাই সোমাব নালাগে...সুসামঞ্জস্য ক্লাছিকেল বাদ্যৰ সাবলীল উঠা-নমা কেতিয়া শেষ হৈ টে’পত এটা ৰক্-বাদ্য বাজিছে (ইলেক্ট্ৰনিক গীটাৰ, ঢোল, বিবৰ্ধিত পিয়ান’, ছেক্সফ’ন্) ঝন্‌ঝন্ খট্‌খট্ ঝিনিক্ ঝিনিক্ লাল্লা লাল্লা হুইট্ হুইট্ ঝন্‌ঝন্ ঝন্‌ঝন্—

মূৰৰ ভিতৰত যেন পুনৰ অফিচৰ দেৱাল-চেঁচা শীৰিষ-কাগজৰ ঘৰ্ষণ, কপালৰ গাঁঠিবোৰ যেন পুনৰ থুপ খাই উঠিব খুজিছে...ঘিচিঘিচিঘিচিঘিচি ঘিচিঘিচিঘিচিঘিচি...তাই একাষৰীয়াকৈ তেওঁক মৃদুকণ্ঠে ক’লে, “বহুদিন আমি ফুৰিব যোৱা নাই—আজি মূৰটো ইমান বিষাইছে—ব’লা এবাৰ আমাৰ বেঞ্চিখনত গৈ বহোঁ”—, আৰু শব্দযন্ত্ৰীয়ে হঠাৎ কৈ উঠিল, “কি হ’ল দিদ্দি? বাজনাটো বৰ জোৰে দিছোঁ? অ, অলপ বেছি লাউড্ড হৈছে ঠিক—১১৪ ডেচিবে’ল—কিন্তু চাওঁচোন, আমাৰ মিনিনয়জে ইয়াৰ কিমানখিনি শোষণ কৰিব পাৰে—”

“অলপ কমাই দিয়ক”, তেওঁ ক’লে। শব্দযন্ত্ৰীয়ে মৃদু হাঁহিলে আৰু কোঠালিৰ সিমূৰলৈ গৈ ভলিউমটো কমাই দিলে, “কিন্তু ‘দি ৰকিং কমেট্‌চ্’ গ্ৰুপে এই এশ-ডেৰশ ডেচিবে’ল জোৰতে ৰক্ বজায়—মিনমিনীয়া বাজনা ডেকা ল’ৰা-ছোৱালীয়ে ভাল নাপায়—জোৰ লাগে, শক্তি লাগে, জব্বৰ কাণ ফাটি যোৱা বীট্ লাগে—তেওঁলোকে কয় যে সংগীত অকল কাণৰ বাবে নহয়, আত্মাৰ বাবে—এয়া তেওঁলোকৰ ছ’ল্-মিউজিক, আত্মাৰ বাজনা—অৱশ্যে”, শব্দযন্ত্ৰীয়ে অকস্মাৎ এটা বেঁকা হাঁহি মাৰিলে, “এইটো সিহঁতক বুজোৱা মস্কিল যে আত্মাৰ কাৰণে যিটো বস্তু ভাল, কাণৰ বাবে সেইটো ভাল নহ’বও পাৰে—পিটি ইট্ ইজ্, কিন্তু বয়জ্ উইল্ বি বয়জ্—আঃ দিদ্দি, এতিয়া ছাউণ্ড-লেভেলটো টলাৰেব্‌ল্ হৈছে নে? জানে, দিদ্দিয়ে ভাবে আমাৰ এইবোৰ চব খেলা, আমাৰ পুতলা—”

ব্যগ্ৰকণ্ঠে ফিচফিচাই তাই ক’লে, “যাবা?”

“—মিয়াৰ্ ইলেক্ট্ৰনিক টয়জ্—অ’ন্‌লি টয়জ্—”

আত্মাৰ বাবে ভাল, কাণৰ বাবে ভাল নহয়—মিনিনয়জে কিমান শুহিব পাৰে—বয়জ্ উইল্ বি বয়জ্...পুতলা—মিয়াৰ্ টয়জ্...যাবা?...মাথোঁ পুতলা? অ’ন্‌লি টয়জ্?

অন্যমনস্কভাৱে তেওঁ ক’লে “মিনিনয়জ্”

*** *** ***

শব্দযন্ত্ৰী যোৱাৰ পাছত তেওঁ টেবুলৰ কাষত বহি শব্দৰ তীব্ৰতা আৰু শক্তি-পৰিমাণৰ সংখ্যাৰ লিষ্টিখন বুজি চাবৰ চেষ্টা কৰিলে, কিন্তু মন নবহিল। তাই আজি আমাৰ বেঞ্চিখনলৈ যাবৰ হেঁপাহ কৰিছিল, তেওঁৰ মনত খেলাব ধৰিলে, তাইৰ নিৰাশ মুখখন বাৰে-বাৰে মনত পৰিব ধৰিলে। উপেক্ষিত চিত্ৰনাট্যখন চকুত পৰিল (তাই সদায় জাৰি-জোঁকাৰি থৈছে কাৰণেই হয়তো আজিলৈকে উঁয়ে ধৰা নাই, তেওঁ ভাবিলে) আৰু কাষলৈ টানি ল’লে। অলপ পাছতে চিত্ৰনাট্যখনৰ ওপৰতে মূৰ থৈ তেওঁ টোপনি গ’ল। তেওঁ সপোন দেখিলে যে তেওঁ প্ৰেছত প্ৰুফ চাব ধৰিছে, প্ৰুফ চোৱাত বাৰে-বাৰে ভুল হৈছে, তাই আজি বহুদিনৰ মূৰত একেলগে ফুৰিব যাব খুজিছিল, তেওঁৰ বাৰে-বাৰে মনত পৰিছে—আৰু চাৰিওপিনে ঘূৰি-ঘূৰি শব্দযন্ত্ৰীয়ে হাতত ‘নয়জ-মিটাৰ’ এটা লৈ জোখ ল’ব ধৰিছে ঃ ঘটলং-ঘটলং—ক্ৰিট-ক্ৰিট-ক্ৰিট্—ক্লক্ (“তীব্ৰতাৰ মান ডেচিবে’ল”, শব্দযন্ত্ৰীয়ে ক’লে)। এনেতে হঠাৎ তাই সমুখতে আহি ওলাল, তাইৰ লগত তাইৰ অফিচৰ শব্দখিনিও লৈ আহিল ঃ কেঁ-কোঁ-কে-কোঁ—ঘৰৰ্-ঘৰৰ্-ঘৰৰ্-ঘৰৰ্—কেঁ-কোঁ-কেঁ-কোঁ—ঘৰৰ্-ঘৰৰ্-ঘৰৰ্—ক্ৰিং-ক্ৰিং—হেল’-হেল’—খট্-খট্-খট্-খট্—ক্লিং—খট্-খট্-খট্-খট-খট্‌খটাখট্—ক্লিং—আৰু ‘নয়জ মিটাৰ’টোৰ কাঁটাডাল লৰি গ’ল (“আহা! ৫০ ডেচিবে’ল!”)। তাইৰ হাতৰ বেগটো প্ৰুফবোৰৰ ওপৰত নমাই থৈ তেওঁৰ কাণে-কাণে

ফিচফিচাই (২০ ডেচিবে'ল) ক'লে, এওঁক এতিয়া এৰা, ব'লা আমি ইয়াৰপৰা যাওঁ, বহুদিন আমি ফুৰিব যোৱা নাই, ব'লা আজি এবাৰ আমাৰ বেঞ্চিখনত গৈ বহোঁ। শব্দযন্ত্ৰীক তাতে এৰি দুয়ো ব্যস্ত ৰাস্তা (৬০-৭০ ডেচিবে'ল) পাৰ হৈ ফিল্ডৰ ভিতৰত গৈ সোমাল, নির্জন, সন্ধিয়া হৈছে, আন্ধাৰ হৈ আহিছে, সন্ধিয়াৰ আলোছায়া, দূৰৰ অট্টালিকাটোৰ খিৰিকিত লাইট জ্বলিছে, গছৰ পাতত মৃদু মর্মৰ ধ্বনি (২০ডেচিবে'ল)। তেওঁলোক বেঞ্চিখনত গৈ বহিল, ফিল্ডৰ এমূৰৰপৰা স্পষ্ট হৈ উঠিব ধৰিলে পেট্ৰমাক্সৰ পোহৰত শ্ৰমিক নেতাজনে উদাত্তকণ্ঠে বক্তৃতা দিছে (শব্দশক্তি এৰিছে ছেকেণ্ডত প্ৰায় ১০,০০০ আৰ্গ), আৰু বক্তৃতাৰ ফাঁকে-ফাঁকে অট্টালিকাটোৰ খিৰিকিৰপৰা হিট-চংটোৰ ক্ষীণ সুৰ ভাহি আহিছে (৩৫ ডেচিবে'ল) আৰু তাৰপাছত অকস্মাৎ নিস্তব্ধ। পৰিপূৰ্ণতা স্তব্ধতা (শূন্য ডেচিবে'ল!)।

"হাঃ-হাঃ-হাঃ, বিউটিফুল্‌স্, নহয়?"—কাষতে কোনোবাই ক'লে। আচৰিত হৈ তেওঁলোকে দেখিলে তেওঁলোক দুয়োৰে মাজত বেঞ্চিত কেতিয়া আহি উৰুৰ ওপৰত ভৰি ওলোমাই শব্দযন্ত্ৰী বহি গৈছে, বেঞ্চিৰ সমুখত এটা পৰিচিত অৱয়ব, আধা অন্ধকাৰত তাৰ ডায়েল আৰু বুটামবোৰ চিকচিক কৰিছে, বঁ-বঁ-কৈ চুঙাৰ দৰে এটা বস্তু তাৰ ওপৰভাগত ঘূৰিছেঃ মিনিনয়জ্। মাথোঁ ভঁৰালঘৰৰ সৰু মডেলাকৃতিৰ মিনিনয়জটো নহয়, এটা প্ৰকাণ্ড—আপেক্ষিকভাৱে এটা দৈত্যাকাৰ—মিনিনয়জ।

শব্দযন্ত্ৰী উঠি এবাৰ মিনিনয়জৰ চাৰিওপিনে ধীৰে-ধীৰে প্ৰদক্ষিণ কৰিলে, তাৰপাছত কলেজৰ প্ৰফেছাৰৰ ভঙ্গীত মিনিনয়জৰ বুটাম এটাত হাত থৈ থিয় দিলে। "লেডডীজ এন্ জেন্টেলমেন", শব্দযন্ত্ৰীয়ে পৰম আত্মসন্তুষ্ট কণ্ঠে ক'ব ধৰিলে, "যিটো বস্তু আজি আমি ইয়াত প্ৰদৰ্শন কৰিব ওলাইছোঁ, সেইটো মিনিনয়জৰ প্ৰথম স্তৰৰ ৱৰ্কিংমডেল, প্ৰথম প্ৰট'টাইপ। মিনিনয়জ-ৱান। আমি এতিয়াই দেখিলোঁ প্ৰথম ট্ৰায়েলত ই সুন্দৰ কাম দিছে"—

ইঃ, ভাবিবই নোৱাৰি! তাই কৈ উঠিল—বিশ্বাসেই নহয়—

ভাবিবই নোৱাৰি? শব্দযন্ত্ৰী যেন মমাৰ্হত হ'ল—বিশ্বাস নহয়? ইয়াৰ পিছতো বিশ্বাস নহয়, দিদ্দি? অৱশ্যে স্বীকাৰ কৰিবই লাগিব, মিনিনয়জ এতিয়াও নিখুঁত নহয়, আমি বিচৰা বস্তু এতিয়াও মিনিনয়জে দিব পৰা নাই। আমি জানো সংগীত আৰু অসংগীত (বা গোলমাল) দুয়োবিধেই শব্দ, দুয়োবিধেই কঁপনি, আৰু মিনিনয়জত দুয়োবিধ কঁপনিয়েই ধৰা পৰিছে, মিনিনয়জে দুয়োবিধ শব্দৰ ঢৌকে শোষণ কৰি লৈছে, সংগীত আৰু অসংগীতৰ কোনো পাৰ্থক্য কৰা নাই। গতিকে দৰ্শকৰ সকলো গণ্ডগোল বন্ধ হৈ যাব, মাথোঁ ৰবিশঙ্কৰৰ চেতাৰ বাজি থাকিব—এই আশা মিনিনয়জে এতিয়াও পূৰাব পাৰা হোৱা নাই। কিন্তু আমি মনত ৰাখিব লাগিব, লেডডীজ এন জেন্টেলমেন, যে এইটো মিনিনয়জ-ৱান। মিনিনয়জ-টুত আমি নিশ্চয় পৰ্যাবৃত্তিহীন কঁপনিবোৰ, অৰ্থাৎ গণ্ডগোল, ছেকি উলিয়াই দি মাথোঁ পৰ্যাবৃত্তি থাকা সংগীতৰ কঁপনিবোৰ—

সেইটো কি ঘূৰিছে?—তেওঁ শব্দযন্ত্ৰীৰ বাক্যস্ৰোৱৰ মাজতে বাধা দি কৈ উঠিল।

কি? অ', এইটো? এইটো অব্‌ভিয়াছলি আমাৰ ছাউণ্ড কালেক্টৰটো। শব্দৰ সংগ্ৰাহক। আমি জানো, শব্দৰ ঢৌ আকাৰৰপৰা চতুৰ্দিশে বিয়পি যায়, এই চুঙাটোৱে চাৰিওপিনে ঘূৰি-ঘূৰি যিমান পাৰে শব্দতৰঙ্গ সংগ্ৰহ কৰি আনিছে, ৰাডাৰৰ এৰিয়েলৰদৰে। অৱশ্যে, স্বীকাৰ কৰিবই লাগিব এইটো এটা এতি ৰুক্ষ, অতি ক্ৰুড্ ব্যৱস্থা। কিন্তু আমি জানো, এইটো ট্ৰায়েল মাত্ৰ। এইটো মিনিনয়জ-ৱান। আমি আশা কৰিছোঁ মিনিনয়জ-টুত ইয়াৰ পৰিৱৰ্তে—কি হ'ল দিদ্দি? গা বেয়া লাগিছে?

আধা অন্ধকাৰতো তেওঁলোকে ধৰিব পাৰিলে তাইৰ মুখখন বিবৰ্ণ হৈ যাব ধৰিছে, বিহ্বলৰদৰে চাৰিওপিনে চাই-চাই ৰৈ-ৰৈ তাই নিঃশ্বাস লোৱাৰ চেষ্টা কৰিছে, তাই বিমূঢ়ৰদৰে কৈ উঠিল, কেনেকুৱা লাগিছে—কেনেকুৱা আচহুৱা-আচহুৱা লাগিছে—কিয় এনেকুৱা লাগিছে—এইখন জানো আমাৰ ফিল্ডখন—আৰু মোৰ মাতটো—মোৰ মাতটো এনেকুৱা হৈছে কিয়—মোৰ মাতটো মই নিজেই নিচিনা-নিচিনা যেন লাগিছে কিয়—কি হৈছে—

অ', সেইটো!—আশ্বস্ত হৈ শব্দযন্ত্ৰীয়ে ক'লে—সেইটো একো নহয়, মাত্ৰ আপোনাৰ মাতৰপৰা ৫০ চাইক্‌ল্ কাঁপনিৰ তলৰ ধ্বনিবোৰ মিনিনয়জে ফিল্টাৰ কৰি উলিয়াই দিছে, সেইকাৰণেই। আমি জানো, লেডডীজ্ এন্ জেন্টেলমেন, যে যদিও মানুহৰ মাতত খাদৰ ধ্বনিবিলাকত শক্তিৰ পৰিমাণ বেছি, আচলতে ওখ ধ্বনিবোৰহে কণ্ঠস্বৰ বুজিবলৈ অপৰিহাৰ্য—খাদৰ ধ্বনিবোৰ বাদ দিব পাৰি, যিটো কৰিলে শতকৰা ৬০ ভাগ শক্তি কণ্ঠস্বৰৰপৰা আঁতৰাই পেলাব পৰা যায়। ১০০০ৰপৰা ৪০০০ চাইক্‌লৰ শব্দৰ প্ৰতি আমাৰ কাণ আটাইতকৈ বেছি সচেতন, ৫০০ চাইকল্‌ৰ তলৰ ধ্বনিবোৰ কাটি দিলে একো লোকচান নহয়, আৰু মাথোঁ শতকৰা ৪০ভাগ শব্দশক্তিহে শ্ৰোতাৰ কাণে শুনিবলগীয়া হয়। অৱশ্যে—

কি?—তেওঁ চিঞৰি উঠিল—কি? আপোনাৰ দিদ্দিৰ মাত কাটি দিছে?

ভেৰ্‌ৰি ছৰ্‌ৰি —শব্দযন্ত্ৰীয়ে ক'লে—কিন্তু মিনিনয়জৰ থিয়ৰি মতে, আমি জানো—

হেং মিনিনয়জৰ থিযৰি!—তেওঁ ক'লে, তাৰ পাছত স্বগতোক্তি কৰাৰদৰে তেওঁৰ কণ্ঠস্বৰ কোমল হৈ নামি গ'ল—আপুনি নাজানে, এই মাত মই কি আগ্ৰহেৰে শুনো, প্ৰেছৰ গোলমালৰ মাজত এই মাত মোৰ কাণত বাজে? আপুনি দেখা নাই, তাই কথা ক'লে মই কিদৰে ৰ লাগি তাইৰ ওঁঠলৈ চাই থাকোঁ, কেনেকৈ মই বাথৰুমৰ বাহিৰত কাণ পাতি থিয় দি থাকোঁ? মোৰ ইমান মৰমৰ মাতটো আপুনি বিকৃত কৰি দিব খুজিছে, এইটোৱে কি আমি প্লেন কৰিছিলোঁ, ইয়াৰ কাৰণেই কি আমি ইমান কষ্ট কৰি মিনিনয়জ সাজিছিলোঁ,—তাৰপাছত অকস্মাৎ তেওঁৰ স্বৰ পুনৰ উচ্চলৈ উঠিল (অৱশ্যে তাৰো বোধহয় শতকৰা ৬০ ভাগ শক্তি ইতিমধ্যে ফিল্টাৰ হৈ গৈছে), তেওঁ চিঞৰি উঠিল—কি আস্পৰ্ধা! কি আস্পৰ্ধা!

তাইৰ মুখখনৰ শেঁতা ভাবটো কাটি গৈ লাহে-লাহে অস্পষ্ট মধুৰ হাঁহিৰে ভৰি উঠিব ধৰিলে, শব্দযন্ত্ৰী থতমত খাই আচৰিত হৈ মিনিনয়জৰপৰা হাত এৰি দি এখোজ পিছুৱাই গ'ল। তেওঁ কৈ উঠিল, "বাট-বাট্-লিছন্-লিছন্—", আৰু তাই নিজকে নিজে যেন ক'ব ধৰিলে, নাই, এইখন ফিল্ড আৰু ভাল নালাগিব, ইয়ালৈ আৰু কেতিয়াও আহিবৰ মন নাযাব—চিনাকি শব্দবোৰ নাথাকিলে আৰু ইয়াত বহি কি ভাল লাগিব—তুমি ঠিকেই কৈছিলা, মাথোঁ গান শুনিবলৈহে জানো মানুহৰ জন্ম হৈছে...

তেওঁ মিনিনয়জৰ লিভাৰ এডালত হাত দিলে, শব্দযন্ত্ৰীয়ে চিঞৰি উঠিল, কি কৰে? কি কৰে? সেইডাল হেঁচা নিদিব—খুব ডেল্লিকেট্‌লী বেল্লেন্স কৰি থোৱা আছে—হেঁচা নিদিব, হেঁচা নিদিব—চব খুলি যাব, মিনিনয়জ ভাঙি যাব—এৰি দিয়ক, এৰি দিয়ক—

শব্দযন্ত্ৰী দৌৰি আহি তেওঁক গবা মাৰি ধৰিলে, কিন্তু তেওঁ লগে-লগে তেওঁক প্ৰচণ্ড এটা জোঁকাৰ মাৰি মাটিতে পেলাই দিলে, শব্দযন্ত্ৰী কিংকৰ্তব্যবিমূঢ়ৰদৰে চাই ৰ'ল। তেওঁ আলফুলকৈ লিভাৰডাল ধৰিলে, তাৰপাছত ক্ষিপ্ৰভাৱে হেঁচি দিলে, মিনিনয়জৰ গহ্বৰত ঝন্-ঝন্-ঝনাৎ কৰি কিবা এটা খহি পৰিল, তাৰপাছত তেওঁলোকৰ বিস্ময়-বিস্ফাৰিত চকুৰ সমুখত মেজিকৰদৰে মিনিনয়জে ইহলীলা সম্বৰণ কৰিব ধৰিলেঃ ইস্কুপ-নাট্-বল্টু টুং-টাং-কৈ খহি পৰিব ধৰিলে, চুঙাটো ঘূৰৰ্-ঘূৰৰ্-ঘূৰ-ৰ্-ৰ্-ৰ্-কৈ এটা শেষ দীৰ্ঘ নিঃশ্বাস পেলাই খট্‌কৈ মাটিত খহি পৰিল, চকা-

চাক্‌তি-ৰিং-ডায়াফ্ৰাম খহি-খহি মাটিত বাগৰি-বাগৰি গুচি গ'ল, তাৰ শিৰা-উপশিৰা-অস্থি-মজ্জা কাতৰ যন্ত্ৰণাত ৰুদ্ধকণ্ঠে গুমৰি-গুমৰি উঠি স্তব্ধ হৈ গ'ল, আৰু কেৰ্‌-কেৰ্‌-কেৰেৎ-কৈ এটা তীব্ৰ নীলা বিদ্যুৎস্ফুলিঙ্গ মাৰি তাৰ কুণ্ডলী-কুণ্ডেন্সাৰ-ভালভ্‌-ক্ৰিষ্টেল সমস্ত এক নিমিষতে জ্বলি ভস্ম হৈ গ'ল, আৰু তাৰ মৰণসঙ্গীতৰ শেষ মূৰ্ছনাৰদৰে ভিতৰৰ কোনোবা এটা পাৰাস্তম্ভৰপৰা গল্‌-গল্‌-গল্‌গল্‌কৈ পাৰা ঘাঁহত বাগৰি পৰি থূপ খাই এটা গোল পিণ্ড হৈ ৰৈ গ'ল, ক'ৰবাৰপৰা অলপ পোহৰ আহি তাৰ ওপৰভাগত চিক্‌চিক্‌ কৰিব ধৰিলে।

চুলি ছিঙি বুকু ধপলিয়াই শব্দযন্ত্ৰীয়ে বিনাব ধৰিলে, কি কৰিলে,—কি কৰিলে—মই পাগল হৈ যাম, মই মৰি যাম—মিনিনয়জ মৰি গ'ল—কি ট্ৰেজেডি— ট্ৰেজেডি— মই পাগল হৈ যাম—মই পাগল হৈ যাম—

শ্ৰমিকনেতাৰ বক্তৃতা পুনৰ দূৰৰপৰা ভাহি আহিব ধৰিলে, তেওঁৰ মূৰত লাহে-লাহে হাত বুলাই তাই ক'লে, উঠা এতিয়া, বহুত ৰাতি হৈছে, আৰু তেওঁ সাৰ পালে।

*** *** ***

তাইৰ মুখখন কিবা এটা তৃপ্তিত যেন উজ্জ্বল হৈ উঠিছে, তাই ক'লে,—উঠা—আকৌ এইখন লিখিব ধৰিছা? এইবাৰ শেষ কৰি পেলাবা? ইঃ, মোৰ যে ইমান ভাল লাগিছে—

তেওঁ অলপ সময় তাইৰ ওঁঠ দুটাৰ পিনে চাই ৰ'ল। তাইৰ কণ্ঠত কোনো পৰিৱৰ্তন নাই, এটা ক্ষীণ উপধ্বনিও হেৰাই যোৱা নাই। তেওঁ চিত্ৰনাট্যখন জপালে, তেওঁৰ ক'বৰ মন গ'ল, অ, এইবাৰ পাৰিলে তেওঁ এইখন শেষ কৰিব। প্ৰেছৰ গণ্ডগোলৰ মাজতেই বাকীবোৰ শ্বট্‌ও ভাবিবৰ চেষ্টা কৰিব আকৌ, প্ৰেছৰ গণ্ডগোলৰ মাজতেই এতিয়ালৈকে যেনেকৈ কৰিছে। মুখ খুলিবলৈ গৈ তেওঁ ৰৈ গ'ল, তাইও কিবা এটা ক'বলৈ গৈ ৰৈ গ'ল। দূৰৰপৰা এটা ক্ষীণ শব্দ ক্ৰমে স্পষ্ট হৈ আহিছে, ঘোঁৰাৰ ক্লপ্‌-ক্লপ্‌ কদম আৰু জুনুকাৰ জুন্‌-জুন শব্দ, গভীৰ নিশা ৰাস্তাৰে এখন অকলশৰীয়া ঘোঁৰাৰ গাড়ী পাৰ হৈ যাব ধৰিছে। দুয়ো দুয়োৰে মুখৰ পিনে চাই ৰ'ল, জুনুকাৰ জুন্‌-জুন্‌ লাহে-লাহে অস্পষ্ট হৈ দূৰত মিলি গ'ল, আৰু তাৰপাছত দুয়ো এবাৰ মিচিকিয়াই হাঁহিলে।